চান্দমামা

ফেব্ৰুৱাৰি ১৯৯০



What makes Junior Quest every child's best friend?
It's crammed with answers.
It's a challenge to do-it-yourself.
It's an invitation to contests.
It's an exciting pull-out in each issue.
JUNIOR QUEST
Where finding out is fun
PRICE Rs.5/-
To subscribe write to,
JUNIOR QUEST,
Dolton Agencies, Chandamama Buildings,
N.S.K. Salai, Vadapalani,
Madras: 600 026.
A new monthly English children's magazine
A Chandamama Vijaya Combines publication

GL/13 C/173 ASM

CHANDAMAMA
MAIL-A-TOY
SCHEME

A special offer for readers of Chandamama only.





A. WOBBIT:
Size : 13.5 inches (height)
Price: Rs. 83.00
Add : Rs. 4.80 General Sales Tax for orders placed within Tamil Nadu.
Rs. 8.30 Sales Tax for orders placed outside Tamil Nadu.

B. TEDDY:
Size : 10.5 inches (height)
Price: Rs. 93.00
Add : Rs. 5.35 General Sales Tax for orders placed within Tamil Nadu.
Rs. 9.30 Sales Tax for orders placed outside Tamil Nadu.

C. JUMBO:
Size : 7 inches (height)
Price: Rs. 68.00
Add : Rs. 3.90 General Sales Tax for orders placed within Tamil Nadu.
Rs. 6.80 Sales Tax for orders placed outside Tamil Nadu.

D. BOW WOW:
Size : 6 inches (height)
Price: Rs. 45.00
Add : Rs. 2.60 General Sales Tax for orders placed within Tamil Nadu.
Rs. 4.50 Sales Tax for orders placed outside Tamil Nadu.

E. FATHER HARE:
Size : 6 inches (height)
Price: Rs. 25.00
Add : Rs. 1.45 General Sales Tax for orders placed within Tamil Nadu.
Rs. 2.50 Sales Tax for orders placed outside Tamil Nadu.

Look out for Mama Hare and Baby Hare in our next offer to complete the Happy Hare Family.

Our way of saying you're very special to us is by making you an offer that's every bit as special. The chance of being the very first people to own a Cuddles toy. At a price that's — you guessed right — special! And there's still more you can save. On ordering any of the toys here, you automatically become eligible for discounts on subscription to Chandamama. Rs.6 off on 12 issues and Rs.15 off on 24 issues.





Dear Chandamama,

I have read about your MAIL-A-TOY scheme and have had a good look at the Cuddles range.

Please send me (tick one or more):

☐ Wobbit ☐ Teddy ☐ Father Hare ☐ Jumbo ☐ Bow Wow

I also understand that I can avail a special discount if I subscribe to Chandamama. I would like to subscribe to Chandamama for —

☐ One year (Rs.30 instead of Rs.36)

☐ Two years (Rs.57 instead of Rs.72)

☐ Sorry, I'm not interested in the subscription offer.

Enclosed please find a Postal Order/Money Order for Rs.............. drawn in favour of Chandamama Toytronix Pvt Ltd.

CHANDAMAMA MAIL-A-TOY SCHEME

Note : This offer is valid only up to 30-6-1990.

I look forward to receiving the toy(s) within a month. I understand that if I am not fully satisfied with the toy(s), I am entitled to a complete refund if I mail it/them back within a week of receiving it/them.

My name: .... Date of birth: ....

Mailing address: ....

....

What are my favourite:

Magazines/Comics : ....

TV Programmes : .... Toys ....

Pastimes : Reading/Toys/Games/TV/Video/Video games/Others : ....

All you have to do is to fill the coupon alongside and mail it to us at Chandamama Toytronix Pvt Ltd, Chandamama Buildings, 188, N.S.K. Salai, Vadapalani, Madras 600 026. Within a month of our receiving your request, you will receive your Cuddles. Just in case you are not fully satisfied, we assure you a complete refund of the price if you mail the toy(s) back to us within a week.

NOTE:
Please specify the doll/dolls you would like to have by putting a tick-mark against the respective doll/dolls listed in the coupon. Also, write your address in full and specify the mode of payment i.e. whether you are remitting the price of the doll/dolls by Postal-Order or Money-Order. Please make sure that the exact price is paid. This is to avoid any difficulty in processing your orders. Those who have already sent their coupons without being specific on these points should write to us again separately, to enable us to send them the doll/dolls as soon as possible.

CHANDAMAMA COLLECTION

CUDD ES

Manufactured in technical collaboration with Sammo Corporation, South Korea.

Chandamama Toytronix Private Limited,
Chandamama Buildings,
188, NSK Salai, Vadapalani, Madras - 600 026.

Mudra:M:CT:3789

চান্দমামা

সংস্থাপক * * * সঞ্চালক
চ ক্র পা ণি * বি নাগিৰেড্ডি

নির্বাচন আৰু প্রজাতন্ত্র

আমাৰ দেশৰ নৱম লোকসভাৰ নির্বাচনৰ কোলাহলৰ অন্ত পৰিল। এইবাৰৰ নির্বাচনৰ বিশেষত্ব : ওঠৰ বছৰীয়া যুৱক-যুৱতীৰ ভোটাধিকাৰ।

পৃথিৱীৰ সকলো প্রজাতান্ত্রিক দেশৰ মাজত আমাৰ দেশ সর্ববৃহৎ। পূর্বদেশসমূহৰ মাজত কেৱল আমাৰ দেশতে অবিচ্ছিন্নভাবে প্রজাতন্ত্র বর্তি আছে। আমাৰ দেশৰপৰা বেলেগ হৈ যোৱা আৰু আমাৰ লগত একেলগে স্বাধীনতা অৰ্জা পাকিস্তান—বহু বছৰ ধৰি সৈনিকৰ শাসনাধীন হৈ আছিল।

প্রজাতান্ত্রিক ব্যৱস্থাত কিছুকিছু অসুবিধা থাকিলেও এই শাসন-ব্যৱস্থাৰ সুবিধাও প্রচুৰ। এই শাসন-ব্যৱস্থাতে স্বাধীনতাৰ উম সর্বাধিক অনুভূত হয়।

এই গণতান্ত্রিক ব্যৱস্থাক যদি সঠিকভাৱে পালন কৰা হয়, তেনেহ'লে জনসাধাৰণৰ বৌদ্ধিক, মানসিক তথা দৈহিক—অর্থাৎ মানুহৰ জীৱন সকলো ফালৰেপৰাই সম্পন্ন-সম্পূর্ণ হৈ উঠে। এই গণতান্ত্রিক-ব্যৱস্থাৰ পৰিপুষ্টিৰ কাৰণে দায়িত্বশীলভাবে আৰু আদর্শ নাগৰিকৰূপে আমি সকলোটিয়েই সুস্থ আচৰণ কৰা আৱশ্যক।

বছৰ : ১৪ ফেব্রুৱাৰি ১৯৯০ সংখ্যা : ১১

খনে : ৩'০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬'০০ টকা

ফটো-নামকৰণ প্রতিযোগিতাৰ নতুন ঠিকনাৰ বাবে ৬৫ পৃষ্ঠালৈ চাওক।

A CHANDAMAMA PUBLICATION

অতিকে' মৰমৰ এই উপহাৰ
দিয়েনে কি ভাবি চাওক
প্ৰৱস্থুৰা হৈ থকা আপোনাৰ
চেনেহৰজনে পাওক

চান্দমামা

তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক:
অসমীয়া, বাংলা, ইংলিছ, গুজৰাটি, হিন্দী, কন্নড়, মালায়ালম্,
মৰাঠী, ওড়িয়া, সংস্কৃত, তামিল আৰু তেলেগু
আৰু প্ৰবাসত থাকিও উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক

বছৰেকীয়া বৰঙণি

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৮১·০০ টকা • উৰা-জাহাজ-যোগে ১৫৬·০০ টকা

ফ্ৰান্স, ছিংগাপুৰ ইংলেণ্ড, আমেৰিকা, পশ্চিম
জাৰ্মানি আৰু অন্যান্য 'দেশলৈ

জাহাজ-যোগে ৮৭. ০ টকা * উৰা-জাহাজ যোগে ১৫৬·০০ টকা

টকা-পইচা
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ
কেৱল ডিমাণ্ড ড্ৰাফট নাইবা মনিঅৰ্ডাৰ যোগে তলৰ ঠিকনালৈ পঠাব:

ছাৰ্কুলেশ্যন মেনেজাৰ
চান্দমামা পাবলিকেশ্যনছ
চান্দমামা বিল্ডিংছ
বড়াপালানি, মাদ্ৰাজ-৬০০ ০২৬

অৱশ্যে—তেওঁৰ শান্তি-পুৰস্কাৰ লাভৰ সৈতে এইবোৰ ঘটনাৰ সা-সম্পৰ্ক নাই।

সাম্প্ৰতিক কালত তিব্বতে কঠিন পৰিস্থিতিৰ চাকনৈয়াত পৰিছে। ওঠৰ শতিকাত চীনদেশৰ মাঞ্চু সম্ৰাটসকলে তিব্বত অধিকাৰ কৰি লৈছিল। পিছে—মাঞ্চু ৰাজবংশৰ পতন হোৱাৰ পাছত তিব্বতৰ জনসাধাৰণে চীনৰ সৈন্যইতক খেদি

দলাইলামাৰ শান্তি-পুৰস্কাৰ

তিব্বতৰ সুউচ্চ পৰ্বতীয়া গাঁও এখনত জন্মগ্ৰহণ কৰা তেন্‌জিন গিয়াৎছো নামৰ ল'ৰাটিয়েই হ'ল তিব্বতৰ জনসাধাৰণৰ আধ্যাত্মিক নেতা চতুৰ্দশ দলাই লামা।

তিব্বত অতি বিচিত্ৰ দেশ। হিমালয় উত্তৰ দিশত ৪৭০,০০ মাইললৈকে বিয়পা দেশখনৰ লোকসংখ্যা পোন্ধৰ লাখ। এই দেশৰ অধিবাসীসকল বৌদ্ধধৰ্মাৱলম্বী।

এই দেশৰ জনসাধাৰণৰ বিশ্বাস যে যিকোনো দলাই লামাৰ মৃত্যু হোৱাৰ লগে লগে তেওঁৰ সেই মৃতাত্মা ঠিক তেতিয়াই কোনোবা এটি জন্মগ্ৰহণকাৰী কেঁচুৱাৰ মাজত প্ৰৱিষ্ট হয়। তাৰ পাছত, মাহৰ পাছত মাহ ধৰি সেই নৱজাত শিশুক বিচাৰি উলিউৱাৰ কাম চলি থাকে। আজিৰ দলাই লামাকো এনেকৈয়েই বিচাৰি উলিউৱা হৈছিল। আজিৰ এই দলাই লামাই তেওঁৰ শিশুকালতেই পৰিপক্কতাৰ পৰিচয় দিছিল। তেতিয়াই তেওঁ আগতে কেতিয়াও নুশুনা-নেদেখা লোকসকলৰ বিষয়ে বাক্যালাপ কৰিছিল।

তিব্বতক স্বতন্ত্ৰ দেশ বুলি ঘোষণা কৰিলে। তথাপি—১৯৫০ চনত চীনদেশে উত্তৰ তিব্বত অধিকাৰ কৰিলে। ১৯৫৯ চনত তিব্বতৰজনসাধাৰণ চীনৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিল। কিন্তু চীনে কঠোৰভাৱে সেই বিদ্ৰোহ দমন কৰিলে। তিব্বতৰ ৰাজধানীস্থিত দলাই লামাৰ প্ৰাসাদৰ অধিক ভাগ বিধ্বস্ত কৰা হ'ল। এইবোৰ কথা-কাণ্ডত তিতা-কৈঁহা লাগি দলাই লামা তেওঁৰ অনুগামীসকলৰে সৈতে ভাৰতলৈ গুচি আহিল।

আৰু দলাই লামাৰ পিছে পিছে আহিল হাজাৰ-বিজাৰ তিব্বতবাসী। দলাই লামাৰ অনুশাসন মতে নেতৃত্বত আৰু ভাৰতৰ অতিথিৰূপে এইসকল তিব্বতবাসী বহু কাল ধৰি ভাৰতবাসীৰূপে জীৱনযাপন কৰিছে।

দলাই লামাই তেওঁৰ তেওঁৰ দেশৰ তথা দেশবাসীৰ দুখৰ কথা সমগ্ৰ বিশ্বৰ আগত ধৈৰ্য্যশীলতাৰে আৰু সংযমেৰে বিবৃত কৰিছে। তেওঁৰ দেশবাসীৰ অবৰ্ণনীয় দুঃখ-কষ্টৰ বাবে দলাই লামা অতিশয় ব্যাকুল; কিন্তু তথাপি

তেওঁ কোনো ধ্বংসাত্মক চিন্তা কৰা নাই, তেওঁ মানৱিক তথা ৰাজনৈতিক সমস্যাৰ শান্তিপূৰ্ণ সমাধানলৈহে চিন্তা কৰিছে। তাৰ ফলত, সমগ্ৰ বিশ্বই দলাই লামাক শান্তিৰ দূত হিচাপে মানি লৈছে, যাৰ ফলত তেওঁক শান্তিৰ বাবে এই বছৰৰ ন'বেল বঁটা প্ৰদান কৰা হৈছে।

১৯৮৫ চনৰ মাৰ্চ মাহত 'দি হেৰিটিজ' [The Heritage] আলোচনীত এক বিশেষ



সাক্ষাৎকাৰত দলাই লামাই কৈছিল: 'ধৰ্মৰ অৰ্থ—কেৱল কোনোবা বিশেষ বিষয়ৰ জ্ঞান নহয়, জীৱনৰ সৰ্বক্ষেত্ৰতে ধাৰ্মিক আচৰণ আৱশ্যক। আহাৰে যেনেকৈ আমাৰ পেটৰ ক্ষুধা নিবাৰণ কৰে, ধৰ্মহে আমাৰ অন্তৰৰ ক্ষুধা নিবাৰণ কৰে। আহাৰ্য্য বস্তু যেনেকৈ কেৱল পাত্ৰত ঢালিলেই নহয়, শক্তিলাভৰ কাৰণে খাব লাগে, হজম কৰিব লাগে, তেনেকৈ—ধৰ্মহো আমাক জীৱনীশক্তি যোগাব পৰা হ'ব লাগে। যিজনে নিজ ধৰ্মত সত্যক প্ৰত্যক্ষ কৰিব পাৰে, তেওঁ অন্যৰ ধৰ্ম-মততো সেই সত্যক প্ৰত্যক্ষ কৰিব পৰা হ'ব লাগে। এই পৃথিৱীত বিভিন্ন ধৰণৰ মানুহৰ বাস। সকলোকে একেইবিধৰ ধৰ্মানুষ্ঠানে সন্তোষ দিব নোৱাৰে। এইকাৰণে বিশ্বত বিভিন্ন ধৰ্ম-বিশ্বাস তথা তাত্বিক সিদ্ধান্ত বিশ্বৰ বিভিন্ন জন-সমষ্টিৰ বিভিন্ন দশত স্থাপিত হৈছে। সত্য সকলো ধৰ্মমততে নিহিত আছে, আৰু সত্যলৈ সকলোটিয়েই সাদৰ আদৰ জনাব লাগে।

ঢোল মাৰিলে নাচন

নৰিয়া পৰি নৰাচৰ খায়ো সিমান সুস্থ হৈ নুঠাত নন্দ কবিৰাজে জমিদাৰ ভূপতিক কিছুদিনৰ বাবে ক'ৰবাল গৈ জলবায়ু-পৰিবৰ্তন কৰিবলৈ ক'লে আৰু জমিদাৰ ভূপতিয়ে ভাবি-চিন্তি জলবায়ু পৰিবৰ্তনৰ বাবে শ্ৰীপুৰলৈ যোৱাটোকে খাটাং কৰিলে। শ্ৰীপুৰত জমিদাৰ ভূপতিৰ এগৰাকী দুখুনীৰো দুখুনী আত্মীয়া আছে, আৰু আছে সেই দুখুনী মানুহ-জনীৰ আছে একমাত্ৰ ছোৱালী উমা। ইয়াতে থকাটোকে খাটাং কৰিলে জমিদাৰে, কিয়নো, জলবায়ু পৰিবৰ্তনলৈ গৈ সাধাৰণ অৰ্থাৎ সহজপাচ্য খোৱাবস্তু খাব লাগিব, নিতৌ ধলপুৱাতে ডেৰঘণ্টামান খোজ কাঢ়ি ফুৰিব লাগিব, আৰু পত্নী-পুত্ৰ-কন্যা আদিক এৰি অকলশৰীয়া হৈ থাকিব লাগিব কমেও—এমাহমান। ইপিনে—শ্ৰীপুৰত বাৰিষা নোহোৱাত খেতি-বাতি নষ্ট হ'ল, আনকি শাক-পাচলিও নোহোৱা হ'ল। কিন্তু জমিদাৰ ভূপতিক লাগে ভালৰো ভাল সহজপাচ্য খোৱাবস্তু। নানান কথা ভাবি, জমিদাৰ ভূপতিয়ে শ্ৰীপুৰলৈ যাওঁতে বৈয়ামত ভৰাই বিধোবিধ আচাৰ আৰু চাটনি লগত লৈ গ'ল। জমিদাৰৰ এই দুখিনী আত্মীয়াই—ভূপতিহেন জমিদাৰ কিয় যে তেওঁলোকৰ ঘৰলৈ আহিল—পোনতে একেবাৰে বুজি নোপোৱা হৈছিল। তেওঁ যে কিমান দিনলৈ ইয়াত থাকিব, তাকো সমূলি নাজানিছিল।

'বসুন্ধৰা'

যি কি নহওক অ'ৰ-ত'ৰপৰা কিছুখিনি পাচলি খুজি-মাগি আনি ভালকৈ ৰান্ধি-বাঢ়ি ছুখুনী মানুহজনীয়ে জমিদাৰক খাবলৈ দিলে আৰু আঞ্জাখিনি খাই ভূপতি জমিদাৰেও বৰ সোৱাদ পালে।

জমিদাৰ ভূপতিয়ে তেওঁৰ ছুখিনী আত্মীয়া বিমলাক তেওঁৰ নৰিয়া পৰাৰ কথা আৰু লগতে জলবায়ু পৰিবৰ্তনৰ কথা কোৱাৰ অন্তত ক'লে, "ইয়ালৈ অহাৰ আগতে এই কথা ভাবি মই চিন্তাত পৰিছিলোঁ যে — ইয়াত এমাহ থাকিম কেনেকৈ। কিন্তু—তোমাৰ ৰান্ধন-বাঢ়ন দেখিছোঁ সঁচাকৈয়ে বৰ উপাদেয়।"

ভূপতিৰ কথা শুনি বিমলাই ভয়হে খালে। জমিদাৰে যদি সঁচাসঁচিকৈ এমাহ দিন থাকে—ক'ৰপৰানো কি আনি জমিদাৰক জোখে-জোখাৰে খুৱাব ? আৰু—ইমান কাম-বন কৰিবই বা কেনেকৈ ? গতিকে — জমিদাৰক আপ্যায়ন কৰাৰ কামত বিমলাই তেওঁৰ ছোৱালজনীৰপৰা অৰ্থাৎ উমাৰপৰা সহায় খুজিলে।

মাকৰ কথাৰ উত্তৰত জীয়েকে কৈ উঠিল, "ইমান দিন ধৰি মই ৰন্ধা-বঢ়া কৰিব নোৱাৰিম। এনি-ছুদিনৰ কথা বেলেগ, পিছে — পুৰা এমাহদিন ধৰি এইবোৰ কৰিব নোৱাৰিম। বৰঞ্চ এটা কাম কৰা, প্ৰতিদিন আমাৰ যেনেকুৱা যি হয়, তাকে তেওঁক খাবলৈ দিয়া। আৰু লগতে তেওঁ যি আচাৰ-চাটনি লৈ আহিছে, তাকেই খাবলৈ কোৱা।"

বিমলাই জীয়েকৰ কথা মানি ল'লে। পাছদিনা সাধাৰণতো সাধাৰণ বিধৰ ৰন্ধা-বঢ়া কৰি বিমলাই জমিদাৰ ভূপতিক ক'লে, "কালি মই কথা এটা ভাবিলোঁ। আপুনি অসুস্থ, গতিকে — সহজে জীণ যোৱা বস্তুহে আপোনাক খাবলৈ দিম।"

কিন্তু ভূপতিয়ে লগে লগে কৈ উঠিল, "মোৰ স্বাস্থ্যৰ কাৰণে কেৱল জলবায়ুৰ পৰিবৰ্তনেই যথেষ্ট নহয়, আহাৰৰো

পৰিৱৰ্তনৰ প্ৰয়োজন আছে। মই যিখিনি আচাৰ-চাটনি লগত লৈ আহিছোঁ, সেই আচাৰ-চাটনিও খোৱা মোৰ নিষেধ। কিন্তু জুতি বোলা কথাও আছেই নহয়?"

কিন্তু জমিদাৰৰ এই কথালৈ বিমলাই বৰ বেছি মন-কাণ নিদিয়া হ'ল।

নিতৌ পুৱা গাঁৱৰ বাটে-পথে ডেৰ-ঘণ্টামান টহলি ফুৰোঁতে জমিদাৰ ভূপতিয়ে উমাজনীকো লগত লৈছিল। ভূপতিয়ে উমাক ইকথা-সিকথা কত যে কথা নকৈছিল! কৈছিল, "উমা তোমাক ভালৰো ভাল দৰাৰ লগত ধুমধামেৰে বিয়া দিম, আৰু সকলো খৰচ মই কৰিম।"

উমাই কথাটো তাইৰ মাক বিমলাক কৈছিল। মাকে কৈছিল, "সঁচা, তেওঁ কিমান যে ভাল—আমাৰ দৰে -নিছলা দুখীৰ ঘৰলৈ অহাৰেপৰাই এই কথাৰ দেখ দেখ প্ৰমাণ ওলাই পৰে। তেওঁ আমাৰ ঘৰত নাথাকি—আন কত যে ঠাইত সুখত থাকিব পাৰিলেহেঁতেন।"

এইদৰে এপষ পাৰ হ'ল। এদিন ভূপতিয়ে উমাক ক'লে, "উমা, মই যিখিনি আচাৰ আৰু চাটনি লগত লৈ আহিছোঁ, সেইবোৰ আচাৰ-চাটনি আমি ঘৰত সদায় খাওঁৱেই। সেইবোৰ ইয়াতো খাবলৈ মই টানেই পাইছোঁ, বিৰক্ত হৈছোঁ। তুমি তোমাৰ মাৰাক এই কথা কোৱাগৈ যে—তোমালোকে সদায় খোৱা আঞ্জাকে



ময়ো খাম, তাকে ৰান্ধিবলৈ কোৱাগৈ।"

উমাই ক'লে, "চাওক, আপোনাক আমি আপোনাৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখিহে খোৱাবস্তু খুৱাইছোঁ। এতিয়া আপোনাৰ স্বাস্থ্য কিমান ভাল হৈছে—নিজেই ভাবি চাওক।"

অহুকাণে-পহুকাণে ভূপতিৰ কথা গাঁৱৰ সকলোটিয়েই শুনিছিল। ভূপতি জমিদাৰ কিমান ডাঙৰ মানুহ তাকো জানিছিল আৰু জমিদাৰ ভূপতিক বহুতে চাবলৈকো আহিছিল।

জমিদাৰ ভূপতি এমাহতকৈয়ো অধিক দিনলৈ শ্ৰীপুৰত থাকিল। তাৰ পাছত এদিন তেওঁক লৈ যাবলে তেওঁৰ গাঁও গোবৰ্ধনপুৰৰপৰা গাড়ী এখন আহিল। গাড়ীত জমিদাৰ ভূপতিৰ অন্যান্য বস্তু-বাহানিৰ লগতে আচাৰ-চাটনিৰ বৈয়াম-কেইটা উঠাই দিওঁতে জমিদাৰ ভূপতিয়ে ক'লে, "এইখিনি ইয়াতে থাকক, ইয়াতো এইখিনিৰ আৱশ্যক হ'ব পাৰে।"

জমিদাৰ ভূপতি গুচি যোৱাৰ পাছত মাক বিমলাই হুমুনিয়াহ কাঢ়ি জীয়েক উমাক ক'লে, "এস্! তেওঁ আচাৰ-চাটনিৰ বৈয়ামকেটা ইয়াতে এৰি থৈ যাব বুলি বুজি পোৱাহেঁতেন শাক-পাচলি বেছিকৈ খুৱাই এইখিনি বচালোহেঁতেন। এতিয়া দেখিছোঁ—বৈয়ামকেটাহে আছে, আচাৰ-চাটনি শেষেই হ'ল।"

"মা, কথাতে কয়—ঢোল মাৰিলেহে নাচন আহে। দুখ নকৰিলা যেতিয়া—মুখ ভৰিবনো কেনেকৈ? এতিয়া আৰু হায়ঔ বিঔ কৰিলাভনাই।" উমাই ক'লে।

যি কি নহওক, জমিদাৰ ভূপতিয়ে তেওঁৰ কথা ৰাখিছিল। উমাৰ বিয়াৰ কথা পাহৰা নাছিল তেওঁ। এমাহমানৰ অন্তত বিমলালৈ খবৰ পঠাইছিল উমাক ধুনীয়াকৈ সজাই-পৰাই ৰাখিবলৈ। পাছদিনাই এক শুভ লগনত উমাৰ হেনো বিয়া।



জনাৰ জুতি-বুদ্ধি

গুৰু-শিষ্য মলয়াৰতী নগৰলৈ বুলি ওলাই পৰিল। বহু দূৰলৈ যোৱাৰ পাছত এডৰা অটব্য অৰণ্য পালেগৈ। এই অৰণ্যৰ কাষৰপৰা এই বাটছোৱা দুভাগ হৈ দুই ফাললৈ গৈছে। এতিয়া গুৰু-শিষ্য সমস্যাত পৰিল—কোন ফাললৈ যাব? সোঁনে বাঁও? গুৰুৱে শিষ্যক সুধিলে, "কেনিনো যাওঁ?"

কিছু নিলগত এজোপা বৰগছৰ তলত বহি দুজন যুৱকে চৌচাল অৰ্থাৎ পাশা খেলি থকা দেখি গুৰু-শিষ্য সেই পিনে আগ বাঢ়িল আৰু বৰৰ তলত বহিলগৈ। যুৱকদ্বয়ে এবাৰ ঘূৰি চালে, কিন্তু গুৰু-শিষ্যক দেখিও নেদেখা হৈ পুনৰ পাশাতে মন দিলে।

অলপ সময়ৰ পাছত গুৰু সৌবৰ্ণ মুনিয়ে পাশা খেলি থকা যুৱকদ্বয়ৰ মাজত এজনক সুধিলে মলয়াৰতী নগৰলৈ যোৱাৰ বাটৰ কথা। প্ৰথমজন যুৱকে সৌবৰ্ণ মুনিক ক'লে, "সৌ বাঁওফালৰ বাটেদি পোনেই গৈ থাকক, মলয়াৰতী পাবগৈ।"

লগে লগে দ্বিতীয়জন যুৱকে কৈ উঠিল, "ওহোঁ, স্বামীজী, আপুনি সোঁ ফালৰ বাটেদি যাওক, তেহে মলয়াৰতী পাব।"

এই বুলি কৈয়েই দুয়ো পুনৰ পাশা খেলাত মগ্ন হৈ পৰিল। তেতিয়া গুৰু সৌবৰ্ণ মুনি অলপ বিমোৰত পৰিল।

তাৰ পাছত সৌবৰ্ণ মুনিয়ে যুৱকদ্বয়ক সুধিলে, "মলয়াৰতী নগৰৰ ৰজাৰ নাম কি তোমালোকে ক'ব পাৰিবানে?"

প্ৰথমজন যুৱকে ক'লে, "মলয়াৰতীৰ ৰজাৰ নাম হ'ল—বিষ্ণুগুপ্ত।"

দ্বিতীয় যুৱকে ক'লে, "ওহোঁ মলয়াৰতীৰ

জয়ন্ত মহন্ত

ৰজা হ'ল মহাৰাজ সৰ্বোত্তমদেৱ।"

এই বুলি কৈয়েই দুয়ো পুনৰ চৌচালত মছগুল হৈ পৰিল।

সৌবৰ্ণমুনিয়ে যুৱক দুজনক আৰু একো নুসুধি সোঁফালৰ বাটেদি মলয়াৱতীলৈ বুলি গৈ থাকিল।

চাৰি-পাঁচ ক্ৰোশমান যোৱাৰ পাছত মৃণালিনী নামৰ নৈৰ পাৰ থকা সুদৃশ্য মন্দিৰ এটিৰ কাষত গুৰু-শিষ্য ৰ'লগৈ। নৈৰ সিপাৰতে মলয়াৱতী নগৰ অৱস্থিত।

গুৰু-শিষ্যই নৈৰ শীতল পানীত স্নান সমাপন কৰি, মন্দিৰস্থ বিগ্ৰহক প্ৰণাম কৰি, নৈ পাৰ হৈ মলয়াৱতীলৈ যোৱাৰ আগতে নৈপৰীয়া গছ এজোপাৰ তলত বিশ্ৰাম ল'বৰ মনেৰে বহিলগৈ।

শিষ্যই আগৰেপৰাই ভাবি আছিল যে গুৰুৱে কি বুলি সোঁফালৰ বাট লৈছিল, কেনেকৈ মলয়াৱতীলৈ যোৱাৰ বাটৰ সন্ভেদ পাইছিল তেওঁ। এইবাৰ শিষ্যই গুৰুক কথাটো সোধোঁ-নোসোধোঁকৈ অৱশেত সুধিলে।

গুৰু সৌবৰ্ণই মৃদুকৈ হাঁহি মাৰি ক'লে, "যুৱকদ্বয়ৰ মাজত এজনৰ কথা যে ঠিক আৰু আনজনৰ যে ঠিক নহয়, সেই কথা ময়ো ঠিকেই বুজি পাই সিহঁতক মলয়াৱতীৰ ৰজাৰ নাম সুধিছিলোঁ। দ্বিতীয় যুৱকেই মলয়াৱতীৰ ৰজাৰ নাম সঠিককৈ কৈছিল যেতিয়া—তেতিয়া আৰু সন্দেহ নাথাকিল প্ৰথম যুৱকটি হ'ল যাক বোলে জাত-ভদীয়া। মলয়াৱতীৰ ৰজা যে সৰ্বোত্তম—সেই কথাটো ময়ো জানিছিলোঁ, কিয়নো তেওঁৰপৰা নিমন্ত্ৰণ পাইহে মই তালৈ গৈ আছোঁ। গতিকে দ্বিতীয়জন যুৱকে কোৱা বাটকে লৈছিলোঁ।" এখন্তেক বৈ গুৰুৱে পুনৰ শিষ্যক ক'লে, "বিধোবিধ মানুহৰ বিধোবিধ কথা, তাৰেপৰাই ল'ব বুজ যাৰ আছে মাথা। বুজাৰ সাৰ কথা হ'ল—জনাৰ জুতি-বুদ্ধি।"

দস্যু যুৱৰাজ

৪

মহাৰাজ
শান্তিদেৱে তেওঁৰ দুষ্ট
সেনাপতি বীৰসিংহৰ অব্যৰ্থ বৰছাৰ
কবলৰপৰা সাৰিবলৈ ৰাজপ্ৰাসাদৰ কাষেদি ফেনে-
ফোটোকাৰে বৈ যোৱা নৈৰ বুকুলৈ জঁপিয়াই পৰিল প্ৰাসাদৰ
প্ৰাচীৰৰপৰা। চকুৰ পচাৰতে বদমাছ বীৰসিংহো সেই প্ৰাচীৰৰ ওপৰলৈ
প্ৰাসাদৰ চালৰপৰা জঁাপ মাৰি নামি আহিল ; কিন্তু মহাৰাজ শান্তিদেৱৰ
চিন-মোকামো তাত বিচাৰি নাপাই হতভম্ব হৈ পৰিল। ইপিনে—শিশু-পুত্ৰটিক
কোলাত লৈ মহাৰাণী
অৰণ্যৰ সোঁমাজ পাই
অত্যন্ত পৰিশ্ৰান্ত হৈ
জিৰণি ল'বৰ মনেৰে
এচটা শিলৰ ওপৰত বহিল
আৰু সেই অটব্য অৰণ্যত
অকস্মাৎ লগ পোৱা সাধু জয়ানন্দৰ
হাতত সেই শিশু ৰাজকুমাৰক গটাই দি
তৎক্ষণাৎ ঢুকাল। আৰু
তাৰ পাছত···

●



মহাৰাণীৰ মৃতদেহৰ আগত মুনি জয়ানন্দ মৌন হৈ ৰ'ল। আৰু ঠিক সেই সময়ত তাত থকা বৰ গছজোপাৰ ডালত এটা বান্দৰে বিচিত্ৰ শব্দ কৰি উঠিল।

মুনি জয়ানন্দই বান্দৰটোলৈ মূৰ দাঙি চালে আৰু ক'লে, "আহাঁ, মাৰুতি, নামি আহাঁ। তোমাৰ নতুন বন্ধু এজন আহিল, তাৰ লগত খেলিবা আহাঁ।"

একে জ'াপে সেই বান্দৰটো ডালৰপৰা তললৈ নামি আহিল আৰু মুনি জয়ানন্দৰ ভৰিৰ কাষত ৰহিলহি।

মুনিয়ে মুচুককৈ হাঁহি ক'লে, "মাৰুতি, তুমি এতিয়াই ভল্লুকীক ইয়ালৈ লৈ আহাঁগৈ। তোমাৰ নতুন বন্ধুক ভল্লুকীৰ হাতত গটাই দিব বাগিব।"

বান্দৰ তথা মাৰুতিয়ে অতি আনন্দেৰে তলৰপৰা ওপৰলৈ জ'াপ মাৰি দিলে আৰু ইগছৰপৰা সিগছলৈ জ'াপ মাৰি মাৰি অদৃশ্য হৈ গ'ল।

সেই শিশু ৰাজকুমাৰে মুনিৰ বগা দাড়িকোচা টানি চাবলৈ ধৰিলে। মুনিয়ে এই শিশুক হাতেৰে দাঙি লৈ নিজক নিজে কোৱা দি ক'লে, "তোমাৰ গাত যিবোৰ আ-অলংকাৰ আৰু পোছাক-পাতি আছে সেইবোৰলৈ চালে তোমাক ৰাজপুত্ৰ যেনেই লাগে। কিন্তু—এতিয়া এইবোৰ লা-লক্ষণ তোমাৰ পক্ষে হিতকৰ নহয়।" এই বুলি কৈ, মুনিয়ে ৰাজপুত্ৰৰ দেহৰপৰা সাজ-পাৰ অলংকাৰ সোলোকাই পেলালে।

ঠিক তেতিয়াই হুৰমুৰকৈ মাৰুতি আৰু ভল্লুকী তাত ওলালহি।

মুনি জয়ানন্দই ভল্লুকীকক ক'লে, "ভল্লুকী, এই শিশুটিক নিৰাপদে ৰক্ষা কৰাৰ দায়িত্ব তোমাৰ।"

ভল্লুকীয়ে শিশু ৰাজকুমাৰৰ পিনে হাত বঢ়ালে; কিন্তু ৰাজকুমাৰে ভল্লুকীলৈ চাই ভয়হে খালে। 'এই কথা বুজি পাই মুনিয়ে ৰাজকুমাৰক ক'লে, "বোপা, ইয়াৰ নাম ভৱানী। ভৱানী খুব ভাল। তোমাক

ভৱানীয়ে মাকৰ দৰেই মৰম কৰিব। তোমাক যি লাগে, আনি দিব।"

তেতিয়া ভল্লুকী ভৱানীয়ে মূৰটো একতীয়া কৰিলে, আৰু শিশু ৰাজকুমাৰো ভৱানীলৈ আগুৱাই আহিল।

মুনি জয়ানন্দই কেৱল ভালুককে নহয়, অৰণ্যৰ যিকোনো জন্তুক অতি সহজেই সেও কৰিব পাৰিছিল। আনকি তেওঁ বাঘ-সিংহকো মুহূৰ্ততে সেও কৰিব পাৰিছিল। কিন্তু এই কথা অতি কম মানুহে জানিছিল। মুনিয়ে তেওঁৰ এনে ক্ষমতাৰ কথা কাকো কোৱা নাছিল।

মুনি জয়ানন্দৰ আশ্ৰমত শেখৰ আৰু গোবিন্দ নামৰ দুজন শিষ্য বাস কৰিছিল। যোগ আৰু ধ্যান শিকিবলৈ এই শিষ্যদ্বয়ে দিনৰ পাছত দিন ধৰি গুৰুৰ সেৱা কৰিছিল। প্ৰকৃতপক্ষে, মুনিৰ কোনো প্ৰকাৰৰ মানৱ-সেৱাৰ আৱশ্যকতা নাছিল; কিয়নো, তেওঁৰ সকলো কাম অৰণ্যৰ জন্তুবিলাকেই সুকলমে কৰি দিছিল। আজি অৱশ্যে শিষ্য দুজন নাই। শিষ্য দুজনে ৰাজকুমাৰৰ জন্ম দিনৰ উৎসৱ চাবলৈ নগৰলৈ গ'ল।

শিশু ৰাজকুমাৰে হাঁহি হাঁহি ভৱানীলৈ আগ বাঢ়িল। আৰু ভৱানীয়ে ৰাজকুমাৰক কাষলতিৰ তলত ভৰাই লৈ তাৰপৰা নোহোৱা হৈ গ'ল।

এই দৃশ্যলৈ চাই মুনি জয়ানন্দ তাত স্থিৰভাৱে থিয় হৈ থাকিল। তাৰ পাছত



A—F-3



তেওঁ পুনৰ মৃতা মহ্যৰাণীলৈ চালে।

আৰু তিমানতে বেলি ওলাল আৰু পশু-পক্ষীৰ বিচিত্ৰ কলৰৱেৰে অৰণ্য জাগি উঠিল। আৰু ঠিক তেতিয়াই মুনিৰ সেই শিষ্য দুজন গুৰুৰ কাষ চাপিল।

মুনি জয়ানন্দই তেওঁৰ শিষ্যদ্বয়ক সুধিলে, "তোমালোকৰ কি সমাচাৰ—?"

"গুৰুদেৱ, আমি অতি দুঃখপ্ৰদ সমাচাৰ কঢ়িয়াই লৈ আহিছোঁ। আমাৰ ৰাজ-পৰিয়াল অতি বিপদগ্ৰস্ত। মহাৰাজৰ আৰু ৰাজপুত্ৰৰো মৃত্যু হ'ল বুলি সকলোতে শুনা গৈছে।" শেখৰে গুৰুক ক'লে।

গোবিন্দই ক'লে, "মহাৰাণী যে ক'লৈ গ'ল—কোনেও ক'ব নোৱাৰে। তেওঁৰ যে কি হ'ল—কোৱা অসম্ভৱ।"

এই কথা শুনি মুনি জয়ানন্দই অন্য ফাললৈ চালে। গুৰুৰ দৃষ্টিক অনুসৰণ কৰি শিষ্যদ্বয়েও সেই ফাললৈ চায়েই উচপ খাই উঠিল, আৰু সভয়ে গুৰুক সুধিলে, "গুৰুদেৱ, মহাৰাণীৰ মৃত্যু হ'লনে কি?"

"হয়। মহাৰাণীয়ে শত্ৰুৰ কবলৰপৰা নিজৰ প্ৰাণ ৰক্ষা কৰিছিল হয়; কিন্তু মহাৰাজৰপৰা বিচ্ছিন্ন হোৱাৰ শোক সহিব নোৱৰা হ'ল। ৰাজপুত্ৰক লৈ তেওঁ কেনেবাকৈ ইয়ালৈ আহি, ৰাজপুত্ৰক আমাৰ হাতত সঁপি দি চিৰ-নিদ্ৰিত হ'ল। অলপ আগতে ভল্লুকী ভৱানীয়ে ৰাজপুত্ৰক লৈ গ'লহি।" মুনিয়ে শিষ্যদ্বয়ক ক'লে।

শেখৰে হুমুনিয়াহ কাঢ়ি ক'লে, "মই মহাৰাণীৰ বিবাহৰ উৎসৱ চাবলৈ গৈ মহা-ৰাণীক দেখিছিলোঁ। তেওঁৰ সিদিনাৰ সেই মুখভাৱ দেখিছোঁ—আজিও একেই আছে।"

"সকলো প্ৰজায়েই কৈছিল যে—মহাৰাজৰ দৰে মহাৰাণীও আছিল প্ৰজাবৰ্গৰ প্ৰতি দয়াশীলা। ইমান পুণ্যাত্মাৰ কেনে দুৰ্গতি!" গোবিন্দই ক'লে।

মুনি জয়ানন্দই ক'লে, "মহাৰাণীয়ে আমাৰ ওপৰ যি কঠিন দায়িত্ব দি গ'ল, সেই দায়িত্ব আমি যথোচিত পালন কৰিম।

RAZI.

ৰাজপুত্ৰক নিৰাপদে ডাঙৰ-দীঘল কৰি তোলাটো আমাৰ কৰ্তব্য।"

"আপোনাৰ আদেশ আমি আখৰে আখৰে নিশ্চয়েই পালন কৰিম, গুৰুদেৱ।" শিষ্যদ্বয়ে ক'লে।

"এতিয়া— " মুনিয়ে চিন্তিতভাৱে ক'লে, "মহাৰাণীৰ এই নশ্বৰ দেহ লৈ আমি যে ঠিক কি যে কৰিম — এয়ে হ'ল কঠিন সমস্যা। মহাৰাজ যে ক'ত আছে— আমি নাজানো। আৰু—শত্ৰুৰ শক্তি-সামৰ্থ্যৰ বিষয়েও আমি একো নাজানো। যি কি নওহক—মহাৰাণীৰ মৃত্যু সংবাদ এতিয়া গোপন ৰাখিবই লাগিব।"

"কিন্তু—মহাৰাণী মৃতা—এই কথা প্ৰচাৰ হ'লে শত্ৰুৱে আৰুনো কি কৰিব?" শেখৰে অবাক হৈ সুধিলে।

"কথা—হওঁতে হয়। মৃতা মহাৰাণীক শত্ৰুৱে আৰু একো কৰিব নোৱাৰে। কিন্তু—মহাৰাণী এই অৰণ্যতে ঢুকাল বুলি শত্ৰুৱে গম পায় যদি—ৰাজপুত্ৰকো সিহঁতে ইয়াতে বিচাৰি ফুৰিব। আৰু—কেনেবাকৈ বিচাৰি পায় যদি—ৰাজপুত্ৰৰ অনিষ্ট কৰিব।" মুনিয়ে বুজাই ক'লে।

"ঠিক কথাকে কৈছে, গুৰুদেৱ। এতিয়া প্ৰথম কথা হ'ল মহাৰাণীৰ মৃতদেহ আমি দাহ কৰিমনে গাঁত খান্দি পুতিম?" দুয়ো শিষ্যয়েই মুনিক সুধিলে।

"এই কামটি মহাৰাণীৰ শেষ ইচ্ছামতে কৰা হ'ব। তাৰ কাৰণে তেওঁৰ শেষ ইচ্ছা কি আছিল সেই কথা জানি ল'ব লাগিব।" এই কথাকেইটা কোৱাৰ অন্তত মুনিয়ে নীৰৱে নিজ্ঝাৰপৰা স্নান সমাপন কৰি আহিল আৰু মহাৰাণীৰ মৃতদেহৰ ওচৰত বহি ধ্যানমগ্ন হ'ল।

কিছু সময়ৰ অন্তত মুনি জয়ানন্দই চকু মেলি চালে আৰু ক'লে, "মহাৰাণীৰ আত্মাই তেওঁৰ মৃতদেক সমাধিস্থ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে আৰু আৰু তেওঁৰ মৃতদেহ মাটিৰ তলত পুতি থোৱাৰ আগতে

তেওঁৰ পুত্ৰই অৰ্থাৎ ৰাজপুত্ৰই মৃতদেহৰ ওপৰত এটি ফুল দিয়াটোকে৷ বিচাৰিছে। মৃত্যুৰ লগে লগে মৃতদেহ পুতি বা পুৰি পেলোৱা উচিত নহয়, কিয়নো কিছু সময় ধৰি মৃতদেহৰ চাৰিওফালে ভৌতিক ক্ৰিয়া-কলাপ চলি থাকে। সেইবোৰ নোহোৱা হোৱাৰ পাছতহে সংকাৰ কৰিব লাগে। গতিকে আপাততঃ মহাৰাণীৰ মৃতদেহ ইয়াতে থাকক, আৰু তোমালোক দুয়ো পৰ দি বৈ থাকাঁ।" মুনিয়ে শিষ্যদ্বয়ক আদেশৰ ভংগীৰে ক'লে।

"কিন্তু গুৰুদেৱ—" শিষ্যদ্বয়ে সুধিলে, "যদি খৰিকটীয়াইঁতে দেখা পায়?"

"ঠিকেই সুধিছা, আমি সকলো-ফালৰেপৰাই সাৱধান হ'ব লাগিব।" এই বুলি কৈ মুনিয়ে চকু মুদিলে আৰু মুহূৰ্ততে তাত এটা বিৰাট বাঘ, এটা বাঘিনী আৰু তিনিটা পোৱালি বাঘ আহিল। ডাঙৰ মতা বাঘটোৱে মুনিৰ কান্ধৰ ওপৰত তাৰ মূৰটো থ'লে আৰু বাঘৰ পোৱালিকেইটাই মুনিক আগুৰি ধৰি জঁপপিয়াজঁপি কৰিবলৈ তথা মুনিৰ লগত খেলিবলৈ ধৰিলে।

মুনি জয়ানন্দই ডাঙৰ বাঘটোক ক'লে "বেলি মাৰ নোযোৱালৈকে তোমালোক ইয়াত থাকিবা। কোনো মানুহ ইয়ালৈ আহিব নোৱাৰে যেন চাবা। ইয়াতে এই যে মৃতদেহ আছে কোনেও দেখা নাপায় যেন। বুজিছা নহয়?"

সেই বাঘটোৱে স্বীকৃতিসূচকভাৱে মূৰ দুপিয়ালে আৰু লাহেকৈ গুজৰি তাৰ স্বীকৃতিক যথাসম্ভৱ প্ৰকাশ কৰিলে।

তাৰ পাছত জয়ানন্দ মুনিয়ে শিষ্যদ্বয়লৈ ঘূৰি চাই ক'লে, "এতিয়া এডোখৰ উত্তম ঠাইত আমি মহাৰাণীৰ বাবে গাঁত খান্দিম ব'লা। আৰু ইতিমধ্যে মহাৰাণীৰ মৃত-দেহত ফুল দিবলৈ ৰাজপুত্ৰকো ইয়ালৈ লৈ আহিব লাগিব।" [আগলৈ

পাউনি-পাক

সুপ্ৰাচীনকালত ৰুশ্ব্‌দেশত মাৰ্‌কা নামৰ এজন ধনী কিন্তু হাড়-চিকটা মানুহ আছিল। এদিন মাৰ্‌কাই চহৰলৈ যাওঁতে বুঢ়া মগনিয়াৰ এজনে পইচা খুজিলত মাৰ্‌কা মদকৰা পৰিল ; কিন্তু মাৰ্‌কাৰ পিছে পিছে গৈ থকা হালোৱা এজনে বুঢ়াক দহ পইচীয়া দিলে যেতিয়া মাৰ্‌কাই—কিয় কোৱা নাযায়—অলপ লাজ তথা অপমান পোৱা যেনহে হ'ল।

মাৰ্‌কাই সেই হালোৱা মানুহজনক ক'লে, "ভাইহে, মোৰ ওচৰত খুচুৰা পইচা একদম নাই। আছে যদি—মোক এটা দহপইচীয়া ধাৰলৈ দিয়া। মই কোন—চিনি পাইছাই নহয় ?"

হালোৱাই এটা দহ পইচীয়া মাৰ্‌কাক দিলে আৰু তাক সুধিলে, "আপুনি পইচাটো কেতিয়া মোক ঘুৰাই দিব ?"

"কালিলৈয়েই পাই যাবা, কালিলৈ মোৰ ঘৰলৈ আহিবা, হৈ যাব। ন চিন্ততে।" মাৰ্‌কাই ক'লে।

পাছদিনা সেই হালোৱা মানুহজন মাৰ্‌কাৰ ঘৰলৈ গ'ল। কিয় কোৱা নাযায় — হালোৱাটোক দেখামাত্রেই মাৰ্‌কাৰ খং উঠিল। মাৰ্‌কাই ক'লে, "এটা দহপইচীয়াৰ কাৰণে তুমি বাৰু ওলালাহিয়েইনে ? মোৰ ওচৰত আজিও কিন্তু খুচুৰা পইচা নাই। আজি যোৱাগৈ কালিলৈ আহিবা।"

পিছদিনা পুনৰ যেতিয়া হালোৱা মানুহজন আহিল তেতিয়া মাৰ্‌কাই কৈ উঠিল, "বেচেৰা ! আহিলাইনে ? বহাঁ। কিন্তু খুচুৰা পইচা আজিও নাই। এটা কাম

কৰা। তুমি মোক নিৰানবৈ টকা নৰৈ পইচা দিয়া আৰু পুৰা এশটকীয়া এখন লৈ যোৱা। বছ।"

দুখীয়া হালোৱাই যেতিয়া ইমান টকা দিবলৈ তাৰ অক্ষমতা প্ৰকাশ কৰিলে, তেতিয়া মাৰ্‌কাই ক'লে, "তেনেহ'লে দুসপ্তাৰ অন্তত পুনৰ আহিবা।"

দুসপ্তাৰ পাছত পুনৰ যেতিয়া মাৰ্‌কাই সেই হালোৱাক বহু দূৰৰপৰা আহি থকা দেখা পালে, তেতিয়া মাৰ্‌কাই তেওঁৰ ঘৈণীয়েকক ক'লে' "শুনা. মই ঢাৰিত শুই থাকিম, আৰু তুমি মোক কাপোৰেৰে ঢাকি মোৰ কায বহি কান্দি থাকিবা আৰু হালোৱাটোক কৈ দিবা মই আজি মৰিলোঁ বুলি। তেতিয়া সি গুচি যাবগৈ, আৰু—আৰু—আৰু মৰা মানুহ এটাক বিচাৰি সি আৰু কেতিয়াও নহা হ'ব।"

হালোৱা যেতিয়া মাৰ্‌কাৰ ঘৰলৈ আহিল, তেতিয়া মাৰ্‌কাৰ ঘৈণীয়েকে ফেকুৰি ফেকুৰি কান্দি আছিল। মাৰ্‌কাৰ ঘৈণীয়েকে ধঁৰিয়াল কান্দোনে কান্দি হালোৱাক ক'লে, "ভাই ছাহাব, এওঁ মৰাৰ আগতে তোমাৰ কথাহে কেৱল কৈছিল।"

"এঁ! মোৰ পইচা নিদিয়াকৈয়েই বদমাছটো মৰিলনে? পিছে মইনো আৰু কি কৰিম এতিয়া? মই—মই এই পাপিষ্ঠৰ

মৃতদেহক তেও পানী ছটিয়াই অলপ পৱিত্ৰ কৰি থৈ যাওঁ।" এই বুলি কৈ হালোৱাটো মাৰ্‌কাৰ ঘৰৰ পিছফাললৈ গ'ল। আৰু তাত আখাৰ ওপৰত তপত হৈ থকা পানী এবাল্টি লৈ আহি মাৰ্‌কাৰ গাত ছটিয়াই দিলে। মাৰ্‌কাই উতলা পানীৰ তাপ সহিব নোৱাৰি তাৰ ভৰি এখন দাঙিলে।

তেতিয়া হালোৱাই কৈ উঠিল, "ঠেং দাঙি লেং মাৰিলে নহ'ব। মোৰ পইচা দিবানে নিদিবা কোৱা।" কিন্তু হালোৱাৰ প্ৰশ্নৰ উত্তৰ মৰা মাৰ্‌কাই কেনেকৈ দিয়ে!

"ঠিক আছে—" হালোৱাই মাৰ্‌কাৰ

ঘৈণীয়েকক ক'লে, "ঠিক আছে, শ ভৰাই নিয়া বাকচ এটা লৈ আহাঁ, তাক বাকচত ভৰাই মন্দিৰলৈ নি পূজা-টুজা দিয়াৰ পাছত কবৰ দি থৈ আহোঁগৈ।"

মাজনিশা চাৰিটা চোৰ সেই মন্দিৰত সোমাল আৰু হালোৰাটোৱে ইহঁতক দেখা পায়েই মন্দিৰ বিগ্ৰহৰ আঁৰত লুকাই থাকিল। চোৰ চাৰিটাই তাত চুৰি কৰি অনা ধন-সম্পদ ভগাই আছিল। আটাই-বোৰ বস্তু ভগোৱাৰ অন্তত এটা ডাঙৰ আকাৰৰ সোণৰ অলংকাৰ সমান ভাগতকৈ বেছি হ'ল, আৰু এইটো কোনে পাব সেই কথাত উখনা-উখনি লাগিল।

তেতিয়া বিগ্ৰহৰ আঁৰৰপৰা ওলাই আহি হালোৰাই চোৰ চাৰিটাক ক'লে, "এই শৰাধাৰত থকা শ'টোৰ মূৰটো যিজনে কাটিব এই অলংকাৰ তাৰ হ'ব।"

আৰু এই কথা শুনিয়েই মাৰ্‌কা মৰাৰপৰা জীয়া হৈ—চিঞৰি উঠিল, "ঐ—তহঁতে মোৰ সেই নাকটিবি ঐ—মই তহঁতক— "

ইমানকে শুনি চোৰ চাৰিটা ধন-সোণ এৰি থৈ দৌৰি পলাল, আৰু হালোৰাটো বিগ্ৰহৰ আঁৰৰপৰা পুৰাপুৰিকৈ ওলাল।

হালোৰাই মাৰ্‌কাক ক'লে, "শুনা, গ'ল কথা গুচিল, আমাৰ কপাল ফুলিল। আৰুনো কাজিয়া-কন্দল কিহলৈ? তাতকৈ—এইখিনি ভগাই লৈ দুয়ো নিজৰ নিজৰ ঘৰ পাওঁগৈ আহাঁ।"

দুয়ো চোৰ চাৰিটাই এৰি থৈ যোৱা ধন-সোণ ভগাই লৈ ঘৰমুৱা হ'ল। তেতিয়া হালোৰাই মাৰ্‌কাক ক'লে, "পিছে—মোৰ পাওনা পইচাৰ কি হ'ব?"

"এঃ!" মাৰ্‌কাই ক'লে, "দেখিছাই নহয়—মোৰ ওচৰত খুচুৰা একেবাৰে নাই। কি বোলেনে খুচুৰাৰ কাৰণে খুচৰি থাকিব নাপায় বুলি — আমাৰ ডাকৰ বচনতো কোৱা হোৱা নাইনে।"



ভালৰ 'কাল' নাই

প্ৰতিজ্ঞাবদ্ধ
ৰজা বিক্ৰমাদিত্য
পুনৰ সেই বিশেষ
গছজোপাৰ ওচৰলৈ উভতি
গ'ল আৰু গছৰ ডালত ওলমি
থকা শ'টো নমাই আনি কান্ধত পেলাই
লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ
থাকিল। তেতিয়া শ'ৰ মাজত থকা
বেতালে কৈ উঠিল. "হে ৰজা, যদি
কিবা গুপ্তধনৰ আশাৰে চালিত হৈ এনেকৈ
যুগ যুগ ধৰি নিদ্ৰাহীনভাৱে শ্ৰম কৰি
আছা, তেনেহ'লে এই কথাটো মনত ৰখা
ভাল হ'ব যে গুপ্তধনৰ মৰীচিকাই কেতিয়াবা
মহাবিপদক তথা মৃত্যুকো মাতি আনে।
এই কথাৰ উদাহৰণস্বৰূপে ধান্যপুৰী,
সপ্তভূমি আৰু কনকপুৰীৰ ৰজাৰ গুপ্তধন
প্ৰাপ্তিৰ কাহিনী কওঁ শুনা।" এই বুলি কৈ
বেতালে সেই কাহিনী কবলৈ ধৰিলে :

'বেতাল-কথা'

কনকপুৰী, ধান্যপুৰী আৰু সপ্তভূমি—এই তিনিখন ৰাজ্যৰ সীমা-মূৰিয়লিত আছিল এডৰা বিৰাট অৰণ্য। যোৱা পঞ্চাছ বছৰতকৈয়ো অধিক কালৰপৰা এই মহাৰণ্য। আছিল ছুটা দুৰ্দ্ধৰ্ষ ডকাইত দলৰ আবাসভূমি। এই তিনিওখন ৰাজ্যত এই মহাৰণ্যৰপৰা কনকপুৰী, ধান্যপুৰী আৰু সপ্তভূমিলৈ সোমাই ডকাইহঁতে অজস্ৰ ধন-সোণ লুট-পাত কৰিছিল।

*

তাৰ পাছত—বহু বহু বছৰৰ পাছত ডকাইতবিলাকৰ উপদ্ৰৱ কমি আহিল আৰু দুয়োটা দলৰ চৰ্দাৰ যেতিয়া মৰিল, তেতিয়া আন ডকাইতবিলাকে অ'লৈ-ত'লৈ গৈ সাধাৰণভাৱে সাধাৰণ ৰাইজৰ দৰে জীৱিকানিৰ্বাহ কৰি থাকিল।

*

কনকপুৰীৰ ৰজা শ্ৰীকৰ বয়সত যুৱক; কিন্তু শাসনকাৰ্য্যত অতি প্ৰাজ্ঞ আছিল। প্ৰজাবৰ্গৰ মংগলৰ বাবে শ্ৰীকৰে দিনে-নিশাই চিন্তা-চৰ্চা কৰিছিল। কনকপুৰী ৰাজ্যত বানপানীৰ অত্যাচাৰ বৰ বেছি। প্ৰজাৰ মনত আন একো ভয় নাথাকিলেও বানপানীৰ ভয়ে প্ৰজাক সদায় খুলি খুলি খাইছিল। ৰজা শ্ৰীকৰে তেওঁৰ ৰাজ্যৰ যিবোৰ নৈ সাগৰত লগ লাগিছেগৈ—সেইবোৰ নৈত মথাউৰি বান্ধিবলৈ গভীৰ-ভাবে চিন্তি থাকিল। কিন্তু—ইমান ধন পায়নো ক'ৰপৰা? জোখে-জোখাৰে ধন নোপোৱা হ'লে এই কাৰ্য্য কদাপি নহ'ব। কাৰ্য্য কৰিবলৈ মনো লাগে; কিন্তু ধনেই হ'ল কাৰ্য্যৰ মূল। আৰু—

ৰজা শ্ৰীকৰে ভাবিলে: ৰাজ্যৰ সমগ্ৰ প্ৰজাক পাৰিশ্ৰমিক বিনে এই মথাউৰি বন্ধাৰ কাম কৰি দিবলৈ আদেশ জাৰী কৰিব পাৰি। কিন্তু তাৰ ফলত বহু প্ৰজা বিতুষ্ট হ'ব। আৰু—আন এটা অসুবিধা হ'ল যে তেওঁৰ ৰাজ্যৰ এই সৰ্বনশীয়া নৈবোৰৰ ভালেমানৰ উৎসস্থল

ধান্যপুৰী, সপ্তভূমি। এইবোৰ ৰাজ্যৰপৰা অনুমতি পোৱাটোও মুখৰ কথাৰে নহ'ব।

*

ৰজা শ্ৰীকৰে যেতিয়া এইবোৰ কথা গভীৰভাবে ভাবি আছিল, ঠিক তেতিয়াই তেওঁ বাতৰি পালে যে ধান্যপুৰীৰ ৰজাই সেই মহাৰণ্যলৈ চিকাৰলৈ গৈছিল আৰু তেওঁক হেনো সাপে খুটি মাৰিলে। আৰু ৰজাৰ মৃত্যুৰ লগে লগে ধান্যপুৰী ৰাজ্যত এক বিৰাট অৰাজকতাই মূৰ দাঙিলে।

*

কিছুদিনৰ অন্তত সেই একেইডৰা মহাৰণ্যলৈ চিকাৰলৈ গৈ সপ্তভূমিৰ ৰজায়ো বাঘৰ কবলত পৰি প্ৰাণ হেৰুৱালে। এই বাতৰিটি কঢ়িয়াই আনিছিল কনকপুৰীৰ ৰজা শ্ৰীকৰৰ অতি বুদ্ধিমন্ত মহামন্ত্ৰীয়ে।

*

মহামন্ত্ৰীয়ে ৰজা শ্ৰীকৰক ক'লে, "মহাৰাজ, এই ছেগতে আমি কিন্তু এই দুয়োখন ৰাজ্য অধিকাৰ কৰি অতি সহজেই মধাউৰি বন্ধাৰ ধন সংগ্ৰহ কৰিব পাৰোঁ। আপুনি যদি অনুগ্ৰহ কৰি আমাক সেই ৰাজ্য দুখন অধিকাৰৰ অনুমতি দিয়ে আমি যুদ্ধলৈ সাজু হওঁ।"

*

মহামন্ত্ৰীৰ কথাত ৰজা শ্ৰীকৰে মূঠেই

বেয়া নাপালে। কিন্তু দুখন ৰাজ্যলৈ অভিযান কৰাৰ জোখাৰে সৈন্যবল তেওঁৰ নাছিল। আৰু যুদ্ধৰ কাৰণে সৈন্যবল বঢ়াবলৈকো যথেষ্ট ধন সোণৰ আৱশ্যক।

*

আৰু ঠিক তেতিয়াই কনকপুৰী ৰাজ্যৰ ৰাজধানীলৈ এজন প্ৰখ্যাত জ্যোতিষী আহিল। এই জ্যোতিষীয়ে হেনো ক'ত গুপ্তধন আছে, কেনে অৱস্থাত আছে, সেই কথা নিৰ্ভুলভাৱে ক'ব পাৰে।

*

ৰজা শ্ৰীকৰে এই জ্যোতিষীজনক মতাই নিয়ালে। জ্যোতিষীজনে ৰজাক



ক'লে গুপ্তধনৰ কথা। সেই মহাৰণ্যৰ এটা গুহাত হেনো অপৰিমিত ধন আছে ; কিন্তু সেই ধন-সোণ মন্ত্ৰঃপূত গুহাৰপৰা অনাটো হেনো অত্যন্ত বিপদজনক।

*

তথাপি ৰজা শ্ৰীকৰ এই গুপ্তধনৰ সন্ধেদ বিচাৰি ঘোঁৰাত উঠিল আৰু সেই মহাৰণ্যলৈ বুলি অকলশৰে ওলাল।

*

মহাৰণ্যৰ মাজেদি গৈ গৈ অৰণ্যৰ এঠাইত এটা কুটীৰ দেখা পাই ৰজা শ্ৰীকৰ তালৈ গ'ল, আৰু তাত সাধু এগৰাকীক অতি গভীৰ-গম্ভীৰভাবে ধ্যানমগ্ন হৈ থকা দেখা পাই ৰ'ল।

*

অলপ সময়ৰ পাছত সাধুৱে চকু মেলি ৰজা শ্ৰীকৰক সুধিলে, "বৎস, তুমিনো কোন? তোমাক কি লাগে ইয়াত? নিৰ্ভয়ে কোৱা।"

"হে মহাত্মা, মই কনকপুৰীৰ ৰজা শ্ৰীকৰ। এই মহাৰণ্যত কোনোবা এটা গুহাত বিপুল পৰিমাণ গুপ্তধন আছে বুলি মই শুনিছোঁ। সেই গুপ্তধনৰ সা-সন্ধেদ মোক লাগে।" ৰজাই বিনম্ৰভাৱে সেই ধ্যানী সাধুজনক ক'লে।

"হয়, এই মহাৰণ্যত গুপ্তধন থকাৰ কথা সত্য। কিছুমান ডকাইতে আমাৰ পৰম গুৰু মহামুনি শ্ৰীমৎ ওঙ্কাৰস্বামীৰ হাতত সেই ধন-সোণ জনকল্যাণৰ বাবে সঁপি দিছিল।" সাধুৱে গুপ্তধন বিচৰা কনকপুৰীৰ ৰজা শ্ৰীকৰক ক'লে।

তেতিয়া ৰজা শ্ৰীকৰে ধান্যপুৰীৰ ৰজা আৰু সপ্তভূমিৰ ৰজাৰ এই মহাৰণ্যতে অপমৃত্যুৰ কথা সাধুক বিবৰিলে।

শুনি সাধুৱে ক'লে, "হয়, বৎস, তোমাৰ এই বিবৰণো সত্য। ধান্যপুৰীৰ ৰজাই কনকপুৰী আক্ৰমণ কৰি অধিকাৰ কৰাৰ মনেৰে সৈন্যবল বৃদ্ধিৰ বাবে এই গুপ্তধন বিচাৰি আহি সৰ্পাঘাতেৰে প্ৰাণ হেৰুৱাই-

ছিল। সপ্তভূমিৰ ৰজায়ো একেটা উদ্দেশ্যতে ইয়ালৈ গুপ্তধন লুট কৰিবলৈ আহি ব্যাঘ্ৰৰ আক্ৰমণত প্ৰাণ হেৰুৱাইছিল।” সাধুৱে খন্তেকমান ৰৈ পুনৰ শ্ৰীকৰক ক'লে, “কিন্তু —তোমাৰ উদ্দেশ্য যদি সৎ, তেনেহ'লে, তুমি নিশ্চয় ভয় নকৰিবা, আৰু যদি ভয় নকৰা—তেনেহ'লে সেই গুপ্তধনৰ গুহা পৰ দি ৰৈ থকা সৰ্পই বা ব্যাঘ্ৰই তোমাৰ একো অনিষ্টও নকৰিব।”

ৰজা শ্ৰীকৰে সাধুক সাষ্টাংগে প্ৰণাম কৰি সেই গুহালৈ গ'ল আৰু গুহাৰ দুৱাৰমুখতে বিৰাট গোক্ষুৰ সৰ্পই বিশাল ফেঁট মেলিলে। ৰজা শ্ৰীকৰ গুহাৰ দুৱাৰমুখত গোক্ষুৰ সৰ্পৰ আগত অবিচলভাৱে কিছু পৰলৈ থিয় হৈ থাকিল, আৰু তাৰ পাছত ৰাজধানীলৈ গুচি গ'ল।

পাছদিনাই ৰজা শ্ৰীকৰে ধান্যপুৰী আৰু সপ্তভূমিলৈ দূতৰ হতুৱাই এই বাতৰি পঠালে যে—তেওঁলোকৰ আৱশ্যক হ'লে ৰজা শ্ৰীকৰে তেওঁলোকলৈ যিকোনো প্ৰকাৰৰ সহায়তা আগ বঢ়াব।

দুয়োখন ৰাজ্যৰ ৰজায়েই শ্ৰীকৰৰ এই উদাৰ মনোভাবৰ শলাগ ল'লে, আৰু দুয়োখন ৰাজ্যয়েই তেওঁলোকৰ যুৱৰাজৰ ৰাজ্যভিষেকত স্বয়ং উপস্থিত থাকিবলৈ ৰজা শ্ৰীকৰলৈ কৃতজ্ঞতাৰে নিমন্ত্ৰণ কৰিলে।

আৰু তাৰ পাছত ৰজা শ্ৰীকৰ পুনৰ সেই মহাৰণ্যলৈ গৈ সাধুক প্ৰণাম কৰি গুহাৰ ভিতৰলৈ সোমাই গ'ল। গোক্ষুৰ সৰ্পেও ফেঁট মেলিলে, বাঘেও গৰজিলে; কিন্তু ৰজা শ্ৰীকৰে গুহাৰপৰা গুপ্তধন লৈ নিৰাপদে ৰাজধানী পালেগৈ। তেওঁক সৰ্পেও নুখুটিলে, বাঘেও নবধিলে।

তাৰ পাছত ৰজা শ্ৰীকৰে মহাৰণ্যৰ সাধুৰ অনুমতি লৈ সেই সাধুৰ গুৰু শ্ৰীওঙ্কাৰস্বামীৰ নামত এটি সুদৃশ্য স্মৃতি-মন্দিৰ নিৰ্মাণ কৰিলে, আৰু তাৰ পাছত সেই নৈবোৰত মথাউৰি বন্ধাৰ কাম কঁকালত টঙালি বান্ধি হাতত ল'লে।

মথাউৰি বন্ধাৰ কাম সম্পূৰ্ণ হোৱাৰ অন্তত কনকপুৰী ৰাজ্যৰ অৱস্থা যথেষ্ট সমৃদ্ধিশালী হৈ উঠিল. আৰু প্ৰজাবৰ্গই ৰজা শ্ৰীকৰৰ নামত জয়ধ্বনি দিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে "হে ৰজা, এই কথা ভাবি মই অবাক মানিছোঁ যে—ধান্যপুৰীৰ ৰজাক গোক্ষুৰ সৰ্পই খুটিছিল ; কিন্তু সপ্তভূমিৰ ৰজাক সৰ্পে এৰি দিয়াৰ পাছতো বাঘে খাইছিল কিয় ? আৰু—সৰ্প, বা ব্যাঘে কনকপুৰীৰ ৰজা শ্ৰীকৰৰ কোনোবিধৰ অনিষ্ট নকৰা হৈছিল কিয় ? ৰজা শ্ৰীকৰ কেৱল তেওঁৰ ভাগ্যৰ বলতে সাৰি গ'লনে ? প্ৰথম দিনা গুহাৰ ভিতৰলৈ সোমাবলৈ মহাৰাজ শ্ৰীকৰে ভয় কৰিছিল, নোসোমোৱাকৈ উভতি গৈছিল ; কিন্তু—তাৰ পাৰ পাছত নিৰ্বিঘ্নে সোমাইছিল আৰু গুপ্তধন লৈ ওলাই আহিছিল। আগদিনা সাহস নহ'ল, পাছত কেনেকৈ হ'ল ? ৰহস্যনো কি ? মোৰ প্ৰশ্নৰ উত্তৰ জানিও যদি সঠিককৈ নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিওফাল হ'ব বুলি নিশ্চয় জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "এই গুপ্তধন আছিল মহাগুৰু শ্ৰীওঙ্কাৰস্বামীৰ মন্ত্ৰঃপূত গুপ্তধন, আৰু গুপ্তধনৰ প্ৰহৰীৰূপী গোক্ষুৰ সৰ্প আৰু বাঘো আছিল তেওঁৰেই সৃষ্টি। মহাগুৰুৱে এই গুপ্তধন প্ৰকৃত জন-কল্যাণত ব্যৱহাৰ কৰা হওক—ইয়াকে বিচাৰিছিল। কিন্তু ধান্যপুৰী বা সপ্তভূমিৰ ৰজাৰো উদ্দেশ্য জনকল্যাণ নাছিল, আছিল ব্যক্তিগত লোভ। সেইদেখি তেওঁলোক মৰিল আৰু প্ৰকৃত জনকল্যাণকামী ৰজা শ্ৰীকৰ সাৰিল। ভালৰ 'কাল' নাই।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



জ্ঞান ভাণ্ডাৰ

তেওঁনো কোন

নগৰৰ চাৰিআলিত য'ত হাজাৰ হাজাৰ মানুহৰ আহ-যাহ, তাত দিনে-পোহৰে জ্বলি থকা প্ৰদীপ হাতত লৈ, এগৰাকী তত্ত্বজ্ঞানীয়ে গৈ থকা মানুহক প্ৰদীপৰ পোহৰেৰে পৰীক্ষা কৰি আছিল।

এইগৰাকী তত্ত্বজ্ঞানীক গ্ৰিচদেশৰ আপামৰ জনসাধাৰণেই জানে আৰু মানে। কিন্তু দিনে-পোহৰে বন্তি জ্বলাই এনে বিচিত্ৰ আচৰণ কৰা দেখি কিছুমানে তেওঁক সুধিলেগৈ; "এই দিনে-পোহৰে বন্তি জ্বলাই লৈ আপুনি কি বিচাৰি আছে?"

"মই মানুহ বিচাৰি আছোঁ।" তত্ত্বজ্ঞানীয়ে উত্তৰ দিলে।

"কি ক'লে—? মানুহ বিচাৰি আছে? আপোনাৰ চাৰিওফালেই দেখোন মানুহৰ সমদল!" নাগৰিকসকলে ক'লে তেওঁক।

"যি মন যায় তাকে মুখেৰে কোৱা. দুখন ভৰিৰে ঘূৰি-ফুৰা প্ৰাণীমাত্ৰকে মানুহ বুলি ক'ব পাৰিনে?" তত্ত্বজ্ঞানীয়ে নাগৰিকসকলক ঘূৰাই সুধিলে।

এইগৰাকী তত্ত্বজ্ঞানীনো কোন আছিল?

[উত্তৰ ৩৬ পৃষ্ঠাত]

জানানে ?

১. এভাৰেস্টৰ চূড়াত আৰোহণকাৰী প্ৰথমগৰাকী মহিলা কোন?
২. ভাৰত কোনো ভূখণ্ড জাপানে কেতিয়াবা অধিকাৰ কৰিছিলনে?
৩. 'নিলন' (নাইলন) শব্দটো কেনেকৈ সৃষ্টি হৈছিল?
৪. প্লুটো গ্ৰহ কোনে আৰু কেতিয়া আৱিষ্কাৰ কৰিছিল?
৫. সাগৰত বিলুপ্ত 'লস্ট আটলাণ্টিছ' সভ্যতাৰ উল্লেখ সৰ্বপ্ৰথমে কোনে কৰিছিল?
৬. বলদৰ দৰে জঁকা, ছাগলীৰ দৰে নোম, ঘোঁৰাৰ দৰে নেগুৰ আৰু গৰুৰ দৰে মূৰ থকা জন্তুটো কি?

[উত্তৰ ৩৬ পৃষ্ঠাত]

প্ৰজাতন্ত্ৰৰ প্ৰাচীন কেন্দ্ৰ বৈশালী নগৰ!



প্ৰজাতন্ত্ৰ বা গণতন্ত্ৰৰ সূত্ৰপাত আধুনিক কালতে হোৱা বুলি আপুনি ভাবেনে বাৰু? বা প্ৰজাতান্ত্ৰিক বা গণতান্ত্ৰিক অধিকাৰ মাত্ৰ আমাৰ কালতে প্ৰদত্ত বুলি ভাবে নে? প্ৰকৃতপক্ষে, প্ৰজাতন্ত্ৰ বা গণতন্ত্ৰ আমাৰ ওচৰত নতুন কিবা নহয়। মোটামুটি দুহেজাৰ বছৰৰ আগতে আমাৰ ইয়াত প্ৰজাতন্ত্ৰৰ অস্তিত্ব বিদ্যমান আছিল। আৰু আছিল—বৈশালী নগৰত।

তেতিয়াৰ লিচ্ছবিৰ ৰাজধানী আছিল বৈশালী। এই নগৰৰ নাগৰিকসকলে তেওঁলোকৰ মতদান কৰি [ভোট] তেওঁলোকৰ শাসক নিৰ্বাচিত কৰিছিল। অৱশ্যে—সকলোটিয়েই মত দান কৰাত অধিকাৰী নাছিল। সমাজে যিসকল নাগৰিকক দায়িত্বশীল বুলি গণ্য কৰিছিল,

কেৱল তেওঁলোকহে মত দান কৰাত অধিকাৰী আছিল।

ইতিহাসৰ মতে — খৃষ্টপূৰ্ব ছয় শতিকাৰপৰা চতুৰ্থ খৃষ্টাব্দলৈকে লিচ্ছবিয়ে সহস্ৰ বছৰ ধৰি এই প্ৰজাতান্ত্ৰিক ব্যৱস্থা অব্যাহত ৰাখিব পাৰিছিল।

তৎকালীন বৈশালী নগৰ আছিল অতি বিশাল সমৃদ্ধিশালী নগৰ। গংগাৰ উত্তৰ তীৰত বিহাৰ ৰাজ্যৰ মুজফ্ফৰপুৰ জিলাৰ বছৰ নামৰ গাঁৱৰ ওচৰত তাহানিৰ বৈশালীৰ চিহ্ন বিচাৰি পোৱা হৈছে। কোৱা হয় যে—তৎকালীন বৈশালী নগৰ আজিৰ সমগ্ৰ মুজফ্ফৰপুৰ জিলাতকৈও কিছু ডাঙৰেই আছিল। অহিংসাৰ অৱতাৰ গৌতম বুদ্ধই এই নগৰতো ধৰ্ম প্ৰচাৰ কৰিছিল।

গুপ্তযুগৰ আৰম্ভণীৰেপৰাই বৈশালী নগৰৰ প্ৰাধান্য তথা লিচ্ছবি-ৰাজবংশৰ প্ৰভাৱো যথেষ্ট হ্ৰাসপ্ৰাপ্ত হ'ল।

চান্দমামাৰ সম্বাদ

ভুঁইকঁপতো বক্ৰ নপৰা বাক্ হেল্‌ম

সম্প্ৰতে কালিফ'র্নিয়াত হোৱা ভুঁইকঁপত বাক্ হেল্‌ম নামৰ মানুহ এজন এখন মটৰৰ তলত পৰি ওলাব নোৱৰা হ'ল। তাৰ পাছত—এই মটৰখনৰ ওপৰত এটা পকী ঘৰ ভাগি পৰিল। নব্বৈ ঘন্টাৰ পাছত যেতিয়া ভাগি পৰা ঘৰটোৰ ইটা-পাথৰ-বালি আদি গুচাই মটৰখন উদ্ধাৰ কৰা হ'ল, তেতিয়া অচেতন বাক্ হেল্‌মকো পোৱা গ'ল আৰু তেওঁৰ প্ৰাণ ৰক্ষা কৰা হ'ল। নব্বৈ ঘন্টা ধৰি কবৰস্থ হৈও বাক্ হেল্‌ম জীয়াই আছিল!



লুপ্তপ্ৰায় বিৰাটাকাৰ প্ৰাণী

ব্লুবেল নামৰ তিমিংগলেই হ'ল বৰ্তমান বিশ্বৰ আটাইতকৈ বৃহৎ প্ৰাণী। মাত্ৰ কিছু বছৰৰ আগলৈকো তিমিংগলৰ সংখ্যা আছিল দহ হেজাৰ; কিন্তু সম্প্ৰতি এই সংখ্যা দুশহে হৈছেগৈ। ইন্টাৰনেশ্যনাল হোৱেলিং কমিশ্যনে এই ঘটনাৰ সত্যাসত্য নিৰ্ণয় কৰি এই সম্বাদ দিছে। আইনত নিষিদ্ধ হোৱা সত্বেও তিমিংগলৰ চিকাৰ চলিয়েই আছে। মানুহে অন্যান্য প্ৰাণীলৈ দৃষ্টিভংগীৰ পৰিৱৰ্তন নকৰা হ'লে এনে অমূল্য সম্পদ তথা প্ৰাণীৰ বিনাশৰ বিপদ ক্ৰমাত বাঢ়িহে গৈ থাকিব।

সাহিত্যলৈ এভুমুকি

১. পাঠশালাৰ প্ৰাথমিক শিক্ষাও সাং নকৰা প্ৰখ্যাত তিনিজন লেখক কোন কোন?

২. পৃথিৱীৰ আটাইতকৈ ক্ষুদ্ৰ পুস্তকৰ নাম কি?

৩. নিজৰ নাম সাত প্ৰকাৰেৰে লিখা লেখক কোন?

৪. কোনখন চহৰত ন'বেল বঁটা বিতৰণ কৰা হয়?

৫. সম্ভৱতে—দ্ৰুততম গতিৰে লিখিব পৰা কোনজন লেখকে এই খ্যাতি আৰ্জিছে?

উত্তৰ

তেওঁ কোন

ডায়োজেনিছ।

জানানে?

১. জাপানৰ মিছিজ জুংকো টোবি।

২. দ্বিতীয় মহাযুদ্ধৰ লগত আন্দামান দ্বীপ অধিকাৰ কৰিছিল।

৩. 'ইনিউয়ৰ্কপৰা 'নি' আৰু 'লণ্ডন'ৰপৰা 'লন' লৈ 'নিলন' বা 'নাইলন' শব্দৰ সৃষ্টি কৰা হৈছে।

৪. ১৯৩০ চনত ক্লাড টোংবাগ।

৫. প্লেটো।

৬. ইয়াক্, বা য়াক্।

সাহিত্য

১. চাৰ্লছ ডিকেন্স, মাৰ্ক ট্যৱেইন, ম্যাক্সিম গোৰ্কি।

২. এলবাৰ্ট হৰ্বৰ্ড-কৃত 'এছে অন্ ছাইলেন্স' নামৰ পুস্তকখনত নামটোৰ বাহিৰে আন একো নাই।

৩. উইলিয়াম শ্বেকছপিয়্যাৰ।

৪. স্টকহোম, অছলো।

৫. আৰ্ল স্ট্যান্‌লি গাৰ্ডনাৰ (১৮৮১-১৯৭০) তেওঁ একেসময়তে একেৰাহে সাতখন উপন্যাস লিখিছিল।

নেহৰু-উপাখ্যান-১২

কাৰাগাৰৰপৰা মুক্তিলাভ কৰাৰ পাছত, ১৯৩৪ চনৰ জানুৱাৰিৰ কোনোবা এক আবেলি পৰতে নেহৰুৱে এলাহাবাদস্থিত তেওঁৰ নিজ গৃহৰ সমুখত কৃষকসকলৰ সমাৱেশত বক্তৃতা দি থাকোঁতে অকস্মাৎ ঘৰৰ চালৰপৰা খাপৰি-ইটাবোৰ উফৰি পৰিবলৈ ধৰিলে। প্ৰবল এক ভূমিকম্পই ঠাইডোখৰ প্ৰচণ্ডভাৱে জোকাৰি গ'ল।

আগতীয়াকৈ কৰা বন্দৱস্তমতে কমলা নেহৰুক লগত লৈ জৱহৰলাল কলি-কতালৈ গ'ল আৰু তাত জনসভা কৰি থাকিল। উগ্ৰপন্থীসকলক দমন কৰাৰ নামত চৰকাৰে জনসাধাৰণৰ ওপৰত বীভৎস অত্যাচাৰ কৰা কাৰ্য্যৰ জৱহৰে অতি কঠোৰ ভাষাৰে নিন্দা কৰিলে।

নেহৰুৱে তেওঁৰ চাৰিদিনীয়া কলিকতীয়া কৰ্মসূচী সামৰি যেতিয়া বিহাৰৰ পাটনা পালেগৈ, তেতিয়াহে ভূমিকম্পৰ বিধ্বংসী ৰূপ তেওঁ প্ৰত্যক্ষ কৰিলে। অসংখ্য ঘৰ-দুৱাৰ ধ্বংস হৈছিল, অগণিত মানুহৰো মৃত্যু হৈছিল। তেওঁলোকৰ নিমন্ত্ৰণকৰ্তাৰ ঘৰো ধ্বংসপ্ৰাপ্ত হৈছিল, আৰু তেওঁ-লোকৰ নিমন্ত্ৰণকৰ্তাৰ পৰিয়ালৰ সৈতে জৱহৰ-কমলায়ো সেই নিশা মুকলি আকাশৰ তলত ৰাত্ৰি যাপন কৰিছিল।

সস্ত্রীক জৱহৰলাল পুনৰ 'এলাহাবাদলৈ উভতি আহিল। তাত তেওঁলোকে যেতিয়া পুৰুষোত্তমদাশ ট্যাণ্ডনৰ ঘৰত চাহ খাই আছিল, তেতিয়া জৱহৰক তেওঁৰ কলিকতাৰ বক্তৃতাৰ বাবে গ্রেপ্তাৰ কৰিবলৈ পুলিছ আহিল। জৱহৰলালে পুলিছ অফিছাৰক হাঁহি হাঁহি ক'লে, "মই আপোনালোকৰ কাৰণে বহু দিন ধৰি বাট চাই আছোঁ।"

জৱহৰলালক গ্রেপ্তাৰ কৰি কলিকতালৈ লৈ অহা হ'ল আৰু তেওঁক কলিকতাস্থ আলিপুৰ চেণ্ট্ৰাল জেলত ভৰাই থোৱা হ'ল। তেওঁক ইমান সৰু কুঠৰী অৰ্থাৎ চে'ল্ এটাত ভৰাই থোৱা হৈছিল, যিটো কুঠৰীত তেওঁ মাত্ৰ চাৰি-পাঁচ খোজহে মাথোন দিব পাৰিছিল।



১৯৩৯ চনত গান্ধীজীয়ে আইন অমান্য আন্দোলন প্ৰত্যাহাৰ কৰি ল'বলৈ আহ্বান জনালে। কিয়নো—স্বেচ্ছা-সেৱীসকলৰ [ভ'ল্যাণ্টিয়াৰ] আচৰণ চাই তেওঁ বিতুষ্ট হৈছিল। এই বাতৰি পঢ়ি নেহৰু অত্যন্ত বিচলিত হৈ উঠিল।

ইপিনে জৱহৰ-পত্নী কমলা গুৰুতৰ অসুস্থ হৈ পৰিল। কমলাক চাবলৈ নেহৰুক দুবাৰ অস্থায়ীভাৱে জেলৰপৰা মুক্তি দিয়া হ'ল, আৰু কোৱা হ'ল যে নেহৰুৱে আৰু ৰাজনীতি নকৰিব বুলি যদি লিখিত প্ৰতিশ্ৰুতি দিয়ে, তেনেহ'লে তেওঁক সম্পূৰ্ণ মুক্ত কৰি দিয়া হ'ব। কিন্তু এই কথাত কমলাই ঘোৰ আপত্তি দৰ্শালে আৰু জৱহৰক এই কাৰ্য্য কদাপি কৰিবলৈ টানি মানা কৰিলে।



কিছুদিনৰ পাছত কমলাক ইঅ'ৰোপলৈ নি চিকিৎসা কৰাবলৈ জৱহৰলালক অনুমতি দিয়া হ'ল। কমলা জাৰ্মানিলৈ গ'ল আৰু তাতে ঢুকাল। নেহৰুৱে প্ৰচণ্ড আঘাত পালে। কিয়নো কমলায়েই আছিল তেওঁৰ শক্তিৰ প্ৰচণ্ড এক উৎস।

চাওঁতে চাওঁতে নেহৰুৰ মাতৃৰো মৃত্যু হ'ল। যদিও তেওঁৰ মাতৃ আছিল ৰক্ষণশীল পৰিয়ালৰপৰা অহা, তথাপি তেৰোঁ যথেষ্ট প্ৰগতিশীলতাৰ স্বাক্ষৰ থৈ গৈছিল। তেওঁৰ ওপৰত হোৱা পুলিছৰ অত্যাচাৰৰপৰা কোনোদিনেই তেওঁ সম্পূৰ্ণ সুস্থ হৈ উঠা নাছিল।

তাৰ পাছত এদিন দ্বিতীয় মহাসমৰ লাগি পৰিল। ১৯৪০ চনত জাপানে বিচিত্ৰ আচৰণ কৰি পাৰ্ল হাৰবাৰত বোমা-বৰ্ষণ কৰিলে। আৰু এই অভাৱিত ঘটনাই যুদ্ধৰ গতি-প্ৰকৃতিক সম্পূৰ্ণ সলনি কৰি দিলে — জাপান আৰু আমেৰিকাৰ মাজত যুদ্ধ লাগি পৰিল, আৰু লগে লগে সমগ্ৰ পৃথিৱীয়েই যুদ্ধৰ ভয়াবহতাত সাঙোৰ খাই পৰিল।

১৯৪২ চনত গান্ধীজীয়ে 'ভাৰত ত্যাগ কৰা' বা 'কুয়িট ইণ্ডিয়া' আহ্বান জনালে। এই আহ্বানৰ অৰ্থ : বৃটিছে ভাৰত ত্যাগ কৰি গুচি যাব লাগিব আৰু নিঃশৰ্তভাবে ভাৰত স্বাধীন হ'ব লাগিব। আধুনিক ভাৰতৰ বাবে সেই আহ্বান-কাল আছিল এক সন্ধিক্ষণ।

আৰু চকুৰ পচাৰ নৌপৰোঁতেই বৃটিছ-কৰ্তৃপক্ষই গান্ধীজীৰ এই আহ্বানৰ প্ৰত্যুত্তৰত দমন-পীড়নত লাগি পৰিল। হাজাৰ হাজাৰ স্বাধীনতা আন্দোলন-কাৰীক গ্ৰেপ্তাৰ হ'ল ভাৰতৰ বিভিন্ন প্ৰান্তৰপৰা। আৰু তেতিয়া ভাৰতৰ চুকে-কোণে চূড়ান্ত এক উত্তেজনা বিয়পি পৰিল। [অহা সংখ্যাত সমাপ্ত হ'ব]

সোণ পুৰিলে ৰং

বহু কালৰ আগৰ কথা। তেতিয়াৰ দিনত শ্ৰীৰংগপত্তনত মোতিলাল নামৰ এজন সুবিখ্যাত ৰত্ন-ব্যৱসায়ী আছিল। তেওঁৰ ব্যৱসায়ী সততাই সাগৰ পাৰ হৈও খ্যাতি আৰ্জিছিল।

এবাৰ অন্ধ্ৰপ্ৰদেশৰপৰা ৰামগুপ্ত নামৰ এজন ধনী মানুহ এইজন ৰত্ন-ব্যৱসায়ী মোতিলালৰ কাষ চাপিল, আৰু বাছি-বিচাৰি এডোখৰ বহুমূল্য সুদৃশ্য ৰত্ন উলিয়াই লৈ সুধিলে, "মোতিলালজী, ইয়াৰ মূল্যনো কিমান?"

মোতিলালে সেইটো বাখৰডোখৰৰ মূল্য চাৰিহাজাৰ ৰূপ খোজাত ৰামগুপ্তই ক'লে, "মোতিলালজী, মোৰ লগত এই মুহূৰ্তত তিনিহাজাৰ ৰূপ আছে। বাকী এহেজাৰ পাছত দিলে হ'ব জানো? মই কিছুদিনৰ ভিতৰতে ৰূপখিনি পঠিয়াই দিম।"

ৰামগুপ্তৰ অতি পৰিচ্ছন্ন কথা-বাৰ্তাৰপৰা মোতিলালে এইখিনি গমিলে যে ৰামগুপ্ত নিশ্চয় ইমানদাৰ ব্যক্তি। এনেহেন ব্যক্তিক অবিশ্বাস কৰাৰ হেতু নাই। তেওঁ ক'লে, "ঠিক আছে, লৈ যাওক। যদি অনুমতি দিয়ে—মই মোৰ হিচাপৰ বহীত আপোনাৰ নামটো লিখি থওঁনে?"

ৰামগুপ্তই প্ৰসন্নতাৰে সম্মতি জ্ঞাপন কৰি ৰত্নডোখৰ লৈ ঘৰ পালেগৈ।

কিছুদিনৰ অন্তত ৰামগুপ্ত টান নৰিয়াত পৰিল। চিকিৎসা চলি থাকিল কিন্তু প্ৰায় একো গুণ নিদিলে। ৰামগুপ্তই পাটী ল'বলগীয়া হ'ল। আৰু এদিন যেতিয়া—ৰামগুপ্তই সিপুৰীৰ দুৱাৰখন খোল খাই থকা দেখা পালে তেতিয়া পুত্ৰ পদ্মনাভক

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



এই হেজাৰ ৰূপ ঋণৰ কথা তথা এই ঋণ সুতে-মূলে পৰিশোধ কৰাৰ কথা বিশেষকৈ কৈ গ'ল।

দেউতাকৰ মৃত্যুৰ পাছতহে পদ্মনাভই আৱিষ্কাৰ কৰিলে যে দেউতাকৰ সম্পত্তি বোলা দৰাচলতে ক'তো একোৱেই নাই। জীৱনকালতে সকলো উৰাই দি গ'ল। ঘৰত এটা কড়িও ৰাখি থৈ যোৱা নাই। তাৰ ফলত—বহুধৰণে চেষ্টা-প্ৰচেষ্টা কৰিও পদ্মনাভই স্বৰ্গী দেউতাকৰ ঋণ পৰিশোধ কৰিব নোৱৰা হ'ল।

বহুদিন ধৰি নানান চেষ্টাৰ মূৰতো যেতিয়া পিতৃ-ঋণ পৰিশোধ কৰাৰ একো উপায় নোলাল, তেতিয়া এই ৰত্নডোখৰ বেচি ঋণ পৰিশোধৰ কথাত পদ্মনাভই মন মেলিলে। কিন্তু — ইয়াত ইমান মূল্যৱান ৰত্ন কোনেনো কিনিব?

ইয়াত কিনোতা নোলাব বুলি ভাবি পদ্মনাভই বাখৰডোখৰ লৈ সেই শ্ৰীৰংগ-পত্তনলৈ বুলি খোজ ল'লে। তাতে ৰত্ন ডোখৰ বেচি, ঋণ-পৰিশোধ কৰি, পুনৰ ঘৰলৈ ঘূৰি আহিব।

কিন্তু সেই যে কথাত বোলে—বেঙো ওলাল সাপেও দেখিলে—পদ্মনাভৰ অৱস্থাও হ'ল তেনেকুৱা। পদ্মনাভো শ্ৰীৰংগপত্তনলৈ গ'ল, আৰু কোনোবা এক শত্ৰুৰজায়ো শ্ৰীৰংগপত্তন আক্ৰমণ কৰিলে। চহৰত শত্ৰুসৈন্যইঁতে লুট-পাত কৰিবলৈ ধৰিলে। পদ্মনাভক শত্ৰুসৈন্যইঁতে ধৰি, নাগেৰা পিটা দি, ৰত্নডোখৰ আৰু তেওঁৰ পইচা-পাতিখিনিও কাঢ়ি নি, তাৰ পাছত গোৰ মাৰি পদ্মনাভক বগৰাই পেলাই গুচি গ'ল।

ইপিনে শত্ৰুৰজাৰ সৈন্যইঁতে শ্ৰীৰংগপত্তন আক্ৰমণ কৰি ছাৰখাৰ কৰি থাকোঁতে মোতিলালৰ পুত্ৰয়ো ঘৰ এৰি মহীশূৰলৈ পলাই গ'ল। মোতিলালৰ সকলো সা-সম্পদ শত্ৰুসৈন্যই লুট কৰি লৈ গ'ল। মোতিলালৰ পুত্ৰই মহীশূৰত নিজৰ দেউতাকৰ খ্যাতিক কামত খটুৱাই অ'ৰ-



ত'ৰ আৰ-তাৰপৰা ধাৰ হিচাপে বহুত টকা ল'লে। তাৰ পাছত যেতিয়া আৰু ধাৰ-উধাৰ নোপোৱা হ'ল, তেতিয়া একেবাৰে দুখীয়াৰো দুখীয়া অৱস্থাত মৃত্যুক আঁকোৱালি ল'লে। মোতিলালজীৰ আগতেই মৃত্যু হৈছিল, তেওঁৰ পুত্ৰও ঢুকাল, জীয়াই থাকিল নাতিয়েক গোবিন্দ।

গোবিন্দ আছিল যথেষ্ট বুদ্ধিসম্পন্ন বাস্তৱবাদী যুৱক। গোবিন্দই পিতৃ-সম্পত্তি বোলা একো নাপালে, পালে অপৰিমিত ঋণৰ বোজা। গোবিন্দই ডাঙৰ ব্যৱসায়ীৰ বহী-লিখা কাম কৰি পেট-প্ৰৱৰ্তোৱাৰ লগে লগে কিছু কিছু পিতৃ-ঋণো পৰিশোধ কৰিবলৈ ধৰিলে আৰু নিজাকৈ সৰুসুৰা কাৰবাৰতো ধৰিলে।

আৰু—এইপিনে—পদ্মনাভো অধিক দিনলৈ জীয়াই নাথাকিল। পদ্মনাভই পিতৃ-ঋণ পৰিশোধ কৰিব নোৱাৰি মনে-চিতে আঘাতপ্ৰাপ্ত হৈছিল। মৃত্যুৰ আগে আগে পদ্মনাভই তেওঁৰ পুত্ৰ চন্দ্ৰশেখৰক এই ঋণৰ কথা সবিস্তাৰে কৈ, এই ঋণ প্ৰকৃততেই সুতে-মূলে পৰিশোধ কৰিবলৈ শপত খুৱাই ল'লে। পদ্মনাভই ক'লে যে—চন্দ্ৰশেখৰে এই ঋণ পৰিশোধ নকৰালৈকে তাৰ পিতৃৰ আৰু ককাকৰো আত্মাই শান্তি নলভিব।

তিমানতে ককাকৰ ঋণৰ বোজা সুতে-মূলে প্ৰায় চাৰিহাজাৰ ৰূপ হৈছিলগৈ। চন্দ্ৰশেখৰে কঠোৰ শ্ৰম কৰি ধন সঞ্চয় কৰিবলৈ ধৰিলে। বহু দিনৰ প্ৰচেষ্টাৰ ফলত চন্দ্ৰশেখৰে চাৰিহাজাৰ টকা গোটাব পৰা হ'ল। আৰু এদিন এইখিনি মুদ্ৰাৰে সৈতে শ্ৰীৰংগপত্তনলৈ গ'ল।

মোতিলালজীৰ নাতিয়েক গোবিন্দৰ ঘৰ বিচাৰি উলিউৱাত চন্দ্ৰশেখৰৰ সৰহ সময় নালাগিল। চন্দ্ৰশেখৰে নিজৰ চিনাকি দিয়াৰ অন্তত গোবিন্দক ক'লে, "ডাঙৰীয়া, আপোনাৰ ককাৰৰ দিনৰ হিচাপৰ বহী-বোৰ আছেনে? যদিহে আছে—অনুগ্ৰহ কৰি মেলি চাবনে? তাত ঋণ-সম্পৰ্কীয়

হিচাপখিনি চালেই মোৰ কাম হ'ব।"

শুনি গোবিন্দৰ বুকুৰ ভিতৰত ঢেঁকীয়ে বনা দি বানিবলৈ ধৰিলে। গোবিন্দই তেওঁৰ পিতৃ-ঋণ বহু কষ্টেৰে পৰিশোধ কৰিছিল। এতিয়া—এতিয়া ককাকৰ ঋণো পৰিশোধ লাগিবনে? —এই কথা ভাবি গোবিন্দই কৈ উঠিল, "ডাঙৰীয়া, মোৰ পিতৃঋণ পৰিশোধ কৰোঁতেই চুলি পকিল। এতিয়া যদি ককাৰ ঋণো পৰিশোধ কৰিবলগা হওঁ—সেই কথা বাৰু ন্যায়ধৰ্মৰ কথা হ'বনে? ককাৰ ঋণৰ দায়িত্ব মইনো লওঁ কেনেকৈ—আপুনিয়েই কওকচোন? এই বিষয়ে মোক ক্ষমা কৰক।"

চন্দ্ৰশেখৰে মৃদুকৈ হাঁহি মাৰি ক'লে, "মই আপোনাৰপৰা একো বিচাৰি অহা নাই, মইহে আপোনাক দিবলৈ আহিছোঁ। এই ঋণ মোৰ ককাই আপোনাৰ ককাৰৰপৰা লৈছিল।" এই বুলি কোৱাৰ অন্তত চন্দ্ৰশেখৰে গোবিন্দক সকলো কথা ক'লে।

তেতিয়া গোবিন্দই বহু সময় ধৰি বিচাৰি বিচাৰি তেওঁৰ ককাকৰ দিনৰ হিচাপৰ বহীবোৰ উলিয়াই আনি এখন বহীত ৰামগুপ্তৰ নামত এহেজাৰ ৰূপ পাওনা থকাৰ কথা লিখি থোৱা দেখা পালে।

গোবিন্দই চন্দ্ৰশেখৰক ক'লে' "চাওক, আপুনি নিজে আহি নোকোৱাহেঁতেন এই ঋণৰ কথাত মই জীৱনকালতো জানিব নোৱাৰিলোহেঁতেন। আপোনাৰ সততাৰ তুলনা নাই। আপোনাৰপৰা ৰূপ চাৰি-হেজাৰ মই নগদে নলওঁ। যদি আপোনাৰ আপত্তি নাই—আহক, আমি দুয়ো মিলি এইখিনি মুদ্ৰাৰে কাৰবাৰ কৰি থাকোঁ। যি লাভ হ'ব দুয়ো সমানে ভগাই ল'ম।"

এই প্ৰস্তাৱত চন্দ্ৰশেখৰো সন্মত হ'ল। তাৰ পাছত দুয়ো মিলি সততাৰে ব্যৱসায় কৰি সম্পদৰ লগে লগে সৎব্যৱসায়ী হিচাপে যথেষ্ট সুনামো আৰ্জিছিল।



কৃষ্ণাৱতাৰ

২৮

শ্ৰীকৃষ্ণই
এদিন সাত্যকি আৰু
উদ্ধৱক লগত লৈ ৰাজসভালৈ
খোজ লোৱাৰ লগে লগে কোনোবা
এজন ব্যক্তি দ্বাৰপালৰ সৈতে সোমাই
আহিল আৰু শ্ৰীকৃষ্ণক কৰযোৰে প্ৰণাম কৰাৰ
অন্তত ক'লে, "হে মহাত্মা, মগধদেশৰ শাসক জৰাসন্ধই
বিশ সহস্ৰ ৰজাক পৰাজিত কৰি কাৰাগাৰত বন্দী কৰাৰ
উপৰিও অত্যাচাৰেৰে জৰ্জৰিত কৰিছে। আমি যিহেতু
আপোনাৰেই প্ৰজা, সিহেতু, আমি তথা সেই বিছ সহস্ৰ ৰজায়ো
আপোনাৰ শৰণ লৈছোঁ। আপুনি তেওঁলোকক ৰক্ষা কৰিব, এয়ে তেওঁলোকৰ
আশা।" ঠিক সেই সময়ত নাৰদমুনিও তাত আহিল আৰু শ্ৰীকৃষ্ণক
ক'লে, "হে কৃষ্ণ! পাণ্ডৱ-জ্যেষ্ঠ যুধিষ্ঠিৰে ৰাজসূয় যজ্ঞ পাতিছে,
আৰু এই যজ্ঞত পৌৰোহিত্য কৰিবলৈ আপোনাৰ অধ্যক্ষতা
প্ৰাৰ্থনা কৰিছে। তেওঁ আপোনাৰ বাট চাই ৰৈ
আছে।" এতিয়া শ্ৰীকৃষ্ণ মহা সংকটত পৰিল।
এপিনে অত্যাচাৰীক দমন, আনপিনে
পৱিত্ৰ ৰাজসূয় যজ্ঞ-সমাপন। কাকনো
কৰিব তুষ্ট, কাকনো কষ্ট! নালৈ
চাবনে দাপোণলৈ?

'ৰাজসূয়'

"এই দুটা কাৰ্য্যৰ মাজত কোনটোনো আগতে সম্পাদন কৰা আৱশ্যক ?" কৃষ্ণই উদ্ধৱৰপৰা পৰামৰ্শ বিচাৰিলে।

"জৰাসন্ধক উচিত কড়ি বুকুত গুড়ি দিয়াটো—কোনো টান কথা নহ'ব আপোনাৰ পক্ষে। আৰু—ৰাজসূয় যজ্ঞ পাতোঁতে যুধিষ্ঠিৰে বহুতো ৰজাক পৰাজিত কৰিব লাগিব। তেওঁৰ হৈ তেতিয়াই জৰাসন্ধকো ত্ৰাহি মধুসূদন দেখুৱাব পৰা হ'ব। এতেকে—যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞখনেই পোন প্ৰথমে সম্পাদন কৰাটো আৱশ্যক।" উদ্ধৱে কৃষ্ণক ক'লে।

এই প্ৰসংগত উদ্ধৱে আন এটা কথাও শ্ৰীকৃষ্ণক সোঁৱৰাই দিলে যে—সৈন্যবলেৰে জৰাসন্ধক পৰাজিত কৰাটো সম্ভৱ নহ'ব। একমাত্ৰ ভীমসেনেহে জৰাসন্ধক দ্বন্দ্বযুদ্ধেৰে পৰাস্ত কৰিব পাৰিব, তাৰ বাদে শক্তিশালী জৰাসন্ধক পৰাজিত কৰাৰ অন্য উপায় একোৱেই নাই।

উদ্ধৱৰ পৰামৰ্শত কৃষ্ণই ভালেই পালে। কৃষ্ণই বলৰামৰ অনুমতি লৈ ইন্দ্ৰপ্ৰস্থলৈ যাত্ৰা কৰাৰ বাবে দাৰুক আদিক আদেশ প্ৰদান কৰিলে।

শ্ৰীকৃষ্ণই তেওঁৰ চতুৰংগী সেনাৰে সৈতে—পাল্‌কীত উঠাই ৰুক্মিণী-সত্যভামা আদিকো লগত লৈ ৰাজসূয় যজ্ঞলৈ বুলি যাত্ৰা কৰিলে। যাত্ৰা কৰাৰ আগতে কাৰাগাৰত আবদ্ধ ৰাজন্যবৰ্গৰ দূতক কৃষ্ণই ক'লে, "তুমি তেওঁলোকক কোৱাগৈ যে—মই জৰাসন্ধক সংহাৰ কৰি অৱশ্যেই এদিন তেওঁলোকক মুক্ত কৰিম। মোৰএই কথাৰ কদাপি অন্যথা নহ'ব।"

কৃষ্ণৰ আগমন-সংবাদ পাই যুধিষ্ঠিৰে আগ বাঢ়ি গৈ কৃষ্ণৰ সৈতে আলিংগন কৰিলে। কৃষ্ণই পাণ্ডৱসকললৈ সমুচিত পৰামৰ্শ আগ বঢ়ালে আৰু সুসজ্জিত তোৰণসমূহ, পুষ্পসজ্জিত বাট-পথ পাৰ হৈ ইন্দ্ৰপ্ৰস্থ পালেগৈ। কৃষ্ণক দৰ্শন কৰিবলৈ নগৰৰ ৰাজআলিৰ দুয়োকাষে অসংখ্য মানুহৰ খদমদম লাগিল।

শ্ৰীকৃষ্ণ পাণ্ডৱসকলৰ বুকুৰ আপোন।



শ্ৰীকৃষ্ণ আৰু অৰ্জুনৰ মিত্ৰতা হ'ল লোকোত্তৰ বিষয়। অৰ্জুনে যেতিয়া খাণ্ডৱ-বন দাহ কৰিছিল, তেতিয়া শ্ৰীকৃষ্ণয়েই আছিল অৰ্জুনৰ ৰথৰ সাৰথি। যুধিষ্ঠিৰে শ্ৰীকৃষ্ণক সপৰিয়ালে বহু দিন ধৰি আপ্যায়ন কৰাৰ অন্তত এদিন ৰাজসূয় যজ্ঞৰ অন্যতম গুৰি-ধৰোঁতা ৰূপে ৰাজ-সভাত আনুষ্ঠানিকভাবে চিনাকি কৰালে।

কৃষ্ণই যুধিষ্ঠিৰলৈ অভিনন্দন জ্ঞাপন কৰি ক'লে, "আপুনি স্বয়ং ৰাজসূয় যজ্ঞৰ পৌৰোহিত্য কৰাতনো আপত্তি কিহৰ? আপোনাৰ দিগ্বিজয়ী ভ্ৰাতৃসকল আছে, তেওঁলোক চাৰিও দিশতে ৰাজ্য জয় কৰি আপোনালৈ সঁপিব পাৰিব।"

শ্ৰীকৃষ্ণৰ কথাত যুধিষ্ঠিৰ প্ৰসন্ন হ'ল। কৃষ্ণৰ পৰামৰ্শ মতে তেওঁ তেওঁৰ ভ্ৰাতৃ-সকলক ৰাজ্য বিজয়ৰ বাবে চাৰিওদিশতে প্ৰেৰণ কৰিলে। সহদেৱ গ'ল দক্ষিণ-দিশলৈ, নকুল পশ্চিমদিশলৈ, অৰ্জুন উত্তৰ দিশলৈ, আৰু ভীমসেন গ'ল পূৰ্বদিশলৈ।

ভ্ৰাতৃ চাৰিওজনে বিভিন্ন ৰাজ্য জয় কৰি ৰাজসূয় যজ্ঞৰ বাবে যুধিষ্ঠিৰক ধন-সোণ আনি দিলে।

এই যুদ্ধত অন্য সকলো ৰজা পৰাজিত হ'ল; যুধিষ্ঠিৰৰ চিন্তাৰ কথা উমানতে ধৰিব পাৰি শ্ৰীকৃষ্ণই যুধিষ্ঠিৰক ক'লে, "আপুনি জৰাসন্ধৰ বিষয়ে অলপো চিন্তা নকৰিব। মই ইয়ালৈ যাত্ৰা কৰাৰ আগতে জৰাসন্ধক পৰাস্ত কৰাৰ উপায় আমাৰ উদ্ধৱে মোক কৈ দিছে। এই কাৰ্য্য সুকলমে কৰি দিম।"

তাৰ পাছত—ভীম তথা অৰ্জুনকো লগত লৈ শ্ৰীকৃষ্ণই জৰাসন্ধৰ ৰাজধানী গিৰিব্ৰজপুৰ পালেগৈ। তাত তিনিও—অৰ্থাৎ ভীম, অৰ্জুন আৰু শ্ৰীকৃষ্ণয়ো ব্ৰাহ্মণৰ ভেশ ল'লে।

জৰাসন্ধই প্ৰতিদিন ব্ৰাহ্মণৰ পূজা কৰিছিল। জৰাসন্ধই অন্যান্য দিনৰ দৰে সেইদিনাও যেতিয়া ব্ৰাহ্মণ-পূজাত নিমগ্ন হৈ আছিল, তেতিয়া এই ব্ৰাহ্মণ বেশধাৰী

তিনিও তালৈ গৈ জৰাসন্ধক ক'লে, "আমি বহু দূৰ দেশৰপৰা আপোনাৰ সমীপলৈ আহিছোঁ। আপোনাৰপৰা আমি যি খুজিম, আমাক তাকে দান কৰিব।"

জৰাসন্ধই এই ব্ৰাহ্মণ তিনিওলৈ চালে। অলপ চিনাকি চিনাকি যেন লাগিল তেওঁৰ তিনিওকো। ক'ৰবাত কেতিয়াবা দেখা দেখা লাগিল। এওঁলোকৰ হাত হুবহু ধনুৰ্বাণ ব্যৱহাৰ কৰা হাত যেন বোধ হ'ল। জৰাসন্ধই ভাবিলেঃ এই তিনিও নিশ্চয় ব্ৰাহ্মণবেশী ক্ষত্ৰিয় হ'ব।

তথাপি জৰাসন্ধই তেওঁলোকৰ ইচ্ছা পূৰণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ অন্তত সুধিলে, "এতিয়া কওক, আপোনাসৱক প্ৰকৃততে ইয়াত কি লাগে।"

"আমাক—আপোনাৰ সৈতে দ্বন্দ্বযুদ্ধ লাগে। এওঁৰ নাম হ'ল ভীমসেন, এইজন তেওঁৰ ভ্ৰাতৃ অৰ্জুন, আৰু মই হ'লোঁ আপোনাৰ শত্ৰু কৃষ্ণ।" কৃষ্ণই ক'লে।

শুনি জৰাসন্ধই হো হোৱাই হাঁহি উঠিল আৰু ক'লে, "অঃ, কথা তেন্তে ইমানেইনে? বাৰু দ্বন্দ্বযুদ্ধ দিয়া যাব। পিছে—কাৰ স'তেনো যুঁজিম? তুমি দেখোন মোক দেখামাত্ৰেই মথুৰা এৰি পলাই পত্ৰং দিছিলা আৰু সমুদ্ৰত পলাই আছিলাগৈ। আৰু—অৰ্জুন মোতকৈ বয়সতো সৰু, শক্তি-পৰাক্ৰমত তো হয়েই। বাকী থাকিল ভীম। মাত্ৰ এই ভীমৰ সৈতেহে এহাত যুঁজ-যুঁজ খেল খেলি মজা চাব পাৰোঁ।"

এই কথা কোৱাৰ অন্তত জৰাসন্ধই এপাট গধুৰ গদা ভীমৰ হাতত গটাই দিলে আৰু হুবহু তেনেকুৰা গদা এটা নিজেও ল'লে। আৰু তাৰ পাছত দুয়ো নগৰৰ বাহিৰত থকা যুদ্ধক্ষেত্ৰলৈ গ'ল আৰু দুয়োৰো মাজত গদাযুদ্ধ লাগি পৰিল। দুয়োমত্ত হস্তীৰ দৰে যুঁজি থাকিল আৰু চাওঁতে চাওঁতে দুয়োৰো গদা খণ্ড-বিখণ্ড হৈ পৰিল। আৰু তাৰ পাছত

আৰম্ভ হ'ল ভয়ংকৰ মুষ্টিযুদ্ধ।

জৰাসন্ধ দুটুকুৰা হৈ জন্মগ্ৰহণ কৰিছিল। তেতিয়া 'জৰা' নামৰ এক পিশাচিনীয়ে এই দুয়ো টুকুৰাক যোৰা দিছিল। তাৰ ফলত তেওঁৰ নামকৰণ হৈছিল—জৰা-সন্ধ। কথাটো কৃষ্ণই উত্তমৰূপে জানিছিল। জানিছিল যে—জৰাসন্ধক বধ কৰিবলৈ হ'লে সেই যোৰা দিয়া ঠাইতহে চূড়ান্ত আঘাত হানিব লাগিব। কৃষ্ণই ইংগিততে এই কথা ভীমক কৈ দিয়াত ভীমে মুষ্টি-যুদ্ধেৰে জৰাসন্ধক তললৈ বগৰাই পেলাই ভৰিৰে হেঁচি ধৰি দুয়ো হাতেৰে জৰাসন্ধৰ দেহ ফালি পেলালে।

এই যুদ্ধ চাবলৈ তাত যিসকল উপস্থিত আছিল, এই বীভৎস দৃশ্যলৈ চাই হাহাকাৰ কৰি উঠিল। কৃষ্ণ আৰু অৰ্জুনে ভীমক আলিংগনেৰে আপ্লুত কৰিলে।

জৰাসন্ধৰ মৃত্যুৰ অন্তত শ্ৰীকৃষ্ণই জৰাসন্ধৰ পুত্ৰ সহদেৱক মগধৰ ৰাজ-সিংহাসনত অধিষ্ঠিত কৰিলে আৰু জৰাসন্ধই কাৰাগাৰত বন্দী কৰি থোৱা সকলো ৰজাক তৎমুহূৰ্ততে মুক্ত কৰি দিলে।

কৃষ্ণৰ আদেশমতে জৰাসন্ধ-পুত্ৰ সহদেৱে মুক্তিপ্ৰাপ্ত ৰজাসকলৰ বাবে অতি উত্তম স্নানাহাৰৰ বন্দৱস্ত কৰাৰ উপৰিও বিভিন্ন উপহাৰেৰে আপ্যায়িত কৰি সকলোকে নিজ নিজ ৰাজ্যলৈ সসন্মানে আৰু যথোপযুক্তভাৱে প্ৰেৰণ কৰিলে।

তাৰ পাছত কৃষ্ণ, ভীম আৰু অৰ্জুন পুনৰ ইন্দ্ৰপ্ৰস্থলৈ উলটিল আৰু যুধিষ্ঠিৰক জৰাসন্ধৰ মৃত্যুৰ বাতৰি দিলে। নিজৰ বাসনা--অৰ্থাৎ জৰাসন্ধক পৰাজিত কৰাৰ বাসনা পূৰণ হোৱাত যুধিষ্ঠিৰ প্ৰসন্ন হ'ল আৰু তেওঁ কৃষ্ণৰ স্তুতি কৰিলে।

আৰু তৎপৰ যুধিষ্ঠিৰে ৰাজসূয় যজ্ঞৰ কাৰ্য্যাৰম্ভ কৰিলে। কৃষ্ণ-দ্বৈপায়ন, ভৰদ্বাজ, বশিষ্ঠ, বিশ্বামিত্ৰ, গৌতম প্ৰমুখই এই যজ্ঞত অংশ গ্ৰহণ কৰিলে। যুধিষ্ঠিৰে যজ্ঞত অংশ গ্ৰহণ কৰিবলৈ ভীষ্ম, ধৃতৰাষ্ট্ৰ,

তেওঁৰ পুত্ৰসৱ তথা দ্ৰোণ, কৃপ. বিদুৰ আদিকো নিমন্ত্ৰণ কৰিলে। এই যজ্ঞত অসংখ্য ৰজায়ো যোগদান কৰিলে।

ধুমধামেৰে যজ্ঞ সমাপিত হোৱাৰ অন্তত যুধিষ্ঠিৰে তাত উপস্থিত ব্যক্তিবৰ্গক উদ্দেশি ক'লে, "অনুগ্ৰহ কৰি আপোনাসৱে কওক, আপোনাৰসৱ মাজত সৰ্বপ্ৰথমে পূজা পোৱাৰ যোগ্য কোন ?"

কিন্তু যুধিষ্ঠিৰৰ এই প্ৰশ্নৰ উত্তৰ কোনেও নিদিয়া হ'ল। কিয়নো যজ্ঞথলীত তেতিয়া অসংখ্য মহানুভৱ ব্যক্তি উপৱিষ্ট আছিল।

সকলো যেতিয়া নীৰৱ হৈ থাকিল, তেতিয়া সহদেৱে ক'লে, "সৰ্বপ্ৰথমে পূজা লাভৰ যোগ্য হ'ল — স্বয়ং শ্ৰীকৃষ্ণ। শ্ৰীকৃষ্ণৰ পূজায়েই হ'ল সৰ্বভূতৰ পূজা। এই কথা অৱধাৰিত সত্য।"

সহদেৱৰ এই কথা যজ্ঞসভাস্থ সকলোটিয়েই একবাক্যে অনুমোদন কৰিলে।

যুধিষ্ঠিৰে তৎক্ষণাৎ শ্ৰীকৃষ্ণৰ চৰণ ধৌত কৰি তেওঁক নৱবস্ত্ৰেৰে সজ্জিত কৰিলে আৰু তাত উপস্থিত ৰাজন্যবৰ্গই শ্ৰীকৃষ্ণক সাষ্টাংগে প্ৰণাম কৰিলে।

কিন্তু দমঘোষৰ পুত্ৰ শিশুপালে এই এই কাৰ্য্য একেবাৰে ভাল নোপোৱা হ'ল। শিশুপাল বহাৰপৰা দাং খাই থিয় দিলে আৰু হাত দাঙি গৰ্জি উঠি ক'লে, "ইয়াক কালৰ মহিমা বিনে আৰুনো কি বুলি ক'ব পাৰি ? এনে সাধাৰণ আৰু নাবাপুহেন এটাই আপোনালোকৰমান জ্ঞানী-গুণী-মানী লোকৰপৰা নভবা-নিচিন্তাকৈ পূজ্যপাদৰূপে স্বীকৃতি পোৱাটো এটা দুৰ্ভগীয়া তথা হাঁহিউঠা কথাত বাজে আৰুনো কি ? এই স্থানত এতিয়া বহুতো উচ্চ উচ্চ তপস্বী বিৰাজমান। তেনেস্থলত এক নীহকুলীয়া গো-পালক গৰখীয়াইহে প্ৰথম পূজ্য হোৱাটো কেনেকৈনো সম্ভৱ ? যযাতিৰদ্বাৰা শাপগ্ৰস্ত গুৱালনো কেনেকৈ পূজ্য হ'ব পাৰে ?"

শিশুপালৰ কথা শুনি কৃষ্ণ বিন্দুমাত্ৰো


SANKAR

বিচলিত নহ'ল। যজ্ঞথলীৰপৰা কিছুমান ব্যক্তি ওলাই গুচি গ'ল। কিন্তু কিছুমানে শিশুপালৰ বিৰুদ্ধে যুদ্ধলৈ অস্ত্র-শস্ত্র হাতত লৈ সাজু হ'ল।

কৃষ্ণই তেওঁলোকক বাধা দান কৰি নিজৰ সুদৰ্শনচক্ৰ প্ৰয়োগ কৰি শিশুপালৰ মস্তক কাটি পেলালে।

লগে লগে যজ্ঞথলীত হুলস্থুল লাগি পৰিল। এই অ-ভাৱিত ঘটনালৈ চাই শিশুপালৰ সমৰ্থকসকল যজ্ঞথলীৰপৰা আঁতৰি গৈ বহু দূৰৱৰ্তী ঠাইত থিয় হৈ থাকিল।

তাৰ পাছত যুধিষ্ঠিৰে উপস্থিত থকা প্ৰতিজনলৈ যথোচিত উপহাৰ আগ বঢ়ালে আৰু ৰাজসূয় যজ্ঞানুষ্ঠানৰ সমাপ্তি ঘোষণা কৰিলে।

যজ্ঞৰ অন্তত সকলো যেতিয়া প্ৰস্থান কৰিলে, তেতিয়া যুধিষ্ঠিৰৰ সনিৰ্বন্ধ অনুৰোধত কৃষ্ণ ইন্দ্ৰপ্ৰস্থতে থাকি গ'ল।

আৰু তিমানতে দুৰ্য্যোধন ঈৰ্ষাৰে জ্বলি উঠিল। কিয়নো—দুৰ্য্যোধনে যুধিষ্ঠিৰে অনুষ্ঠিত কৰা বৈভৱপূৰ্ণ ৰাজসূয় যজ্ঞৰ সফল সমাপ্তি সহিব পৰা নাছিল।

দুৰ্য্যোধনে যুধিষ্ঠিৰৰ বাবে এক অদ্ভুত ৰাজসভাৰ আয়োজন কৰিলে। এই ৰাজসভাত সমৱেত ৰাজন্যবৰ্গই যুধিষ্ঠিৰৰ প্ৰতি সন্মান জ্ঞাপন কৰিলে। তাত কৃষ্ণৰ পত্নীসকলো বিহাৰ কৰি আছিল। তাত ক'ত পানী আছে ক'ত নাই—তেওঁলোকে টলকিব পৰা নাছিল। পানী নথকা ঠাইলৈ গৈ দুৰ্য্যোধনে তেওঁৰ বস্ত্ৰ ধুবলৈ চেষ্টা কৰাত দ্ৰৌপদীৰে সৈতে অন্যান্য নাৰীসকলেও হাঁহিবলৈ ধৰিলে। যুধিষ্ঠিৰে দ্ৰৌপদীক অন্যান্যকো হাঁহিবলৈ নিষেধ কৰিলে। কিন্তু এই কথাত দুৰ্য্যোধনে ঘোৰতৰৰূপে অপমান পাই তৎক্ষণাৎ সেই স্থান পৰিত্যাগ কৰি হস্তিনাপুৰলৈ বুলি ৰাওনা কৰিলে।



পৰৰ ওপৰত পচলা

অৱন্তীৰাজ্যৰ অমৰপুৰী নামৰ গাঁৱত শম্ভু মিত্ৰ নামৰ এজন যুৱকে তাৰ পিতৃৰ দৰে যশস্যা আৰ্জিবলৈ দিনে-নিশাই উপায় চিন্তা কৰিছিল। শম্ভুমিত্ৰৰ দেউতাকৰ নাম আছিল অমৰমিত্ৰ। তেওঁ আছিল এজন সাধাৰণ নাগৰিক; কিন্তু তেওঁ জনসাধাৰণৰ সেৱা কৰি যথেষ্ট সামাজিক সন্মান তথা যশস্যা আৰ্জিছিল। তেওঁৰ দিনত অৱন্তীৰাজ্যৰ ৰজা আছিল চক্ৰনেমী নামৰ এক দুষ্ট প্ৰকৃতিৰ অপদাৰ্থ ৰজা। এই ৰজাই প্ৰজাৰ অৰ্থেৰে বিলাসবহুল জীৱন যাপন কৰিছিল, কিন্তু প্ৰজাৰ মংগললৈ তেওঁৰ একেবাৰে মন-কাণ নাছিল।

সমাজসেৱী অমৰমিত্ৰ যেতিয়া স্বৰ্গী হ'ল, তেতিয়া তেওঁৰ পুত্ৰ শম্ভুমিত্ৰয়ো দেউতাকৰ পথ অনুসৰণ কৰি ৰাইজৰপৰা যশ-খ্যাতি পাবলৈ চেষ্টা কৰাত লাগিছিল। কিন্তু—শম্ভুমিত্ৰৰ দিনত ৰজা চক্ৰনেমী আৰু নাছিল, তেতিয়া চক্ৰনেমীৰ পুত্ৰ বিজয়বৰ্মাইহে ৰাজত্ব কৰিছিল।

বিজয়বৰ্মাই তেওঁৰ পিতৃৰ দৰে বিলাসী জীৱন যাপন নকৰি, প্ৰকৃত ৰজাৰ দৰে প্ৰজাৰ মংগললৈ মন মেলিছিল। তেওঁ তেওঁৰ প্ৰজাবৰ্গৰ চিকিৎসাৰ বাবে দাতব্য চিকিৎসালয় গাঁৱে-নগৰে স্থাপন কৰিছিল, শিক্ষাৰ বাবে বিদ্যালয় স্থাপন কৰিছিল। এইবোৰ কাৰণত শম্ভুমিত্ৰই তেওঁৰ দেউতাকৰ দৰে সমাজসেৱাৰ সহজ সুযোগ পোৱা নাছিল।

এদিন দুজন তীৰ্থযাত্ৰী অমৰপুৰলৈ আহিল। কিন্তু অমৰপুৰীত কোনো ধৰমশালা বা যাত্ৰীনিবাস আদি নথকাত

যোগেশ্বৰ শৰ্মা

যাত্ৰী দুজন বিমোৰত পৰিল। কথাটো শম্ভুমিত্ৰই গম পোৱাৰ লগে লগে যাত্ৰী দুজনক ক'লেগৈ, “যদি বেয়া নাপায়, আমাৰ ঘৰলৈ পদধূলি দিলে কৃতাৰ্থ মানিম।” তীৰ্থযাত্ৰী দুজন শম্ভুমিত্ৰৰ এই প্ৰস্তাৱত সানন্দে সন্মত হ'ল।

ৰাতি খোৱা-বোৱাৰ অন্তত যাত্ৰী দুজনে শম্ভুমিত্ৰৰ এনে পৰোপকাৰী মনোবৃত্তিৰ শলাগ ল'লে আৰু শম্ভুমিত্ৰৰ পূৰ্ণ পৰিচয় জানিবলৈ ইচ্ছা প্ৰকাশ কৰাত শম্ভুমিত্ৰই নিজৰ তথা তেওঁৰ স্বৰ্গী পিতৃৰ পৰিচয়ো প্ৰদান কৰাৰ অন্তত ক'লে, “ময়ো মোৰ দেউতাৰ দৰে ৰাইজৰ সেৱা কৰি যশস্যা আৰ্জিব খুজিছোঁ। কিন্তু মস্কিল হ'ল—এতিয়া আৰু সেই দিন নাই। আমাৰ নতুন ৰজাই প্ৰজাবৰ্গৰ বাবে কৰণীয় কামখিনি কৰিয়েই আছে।”

যাত্ৰী দুজনৰ মাজত এজনে শম্ভুমিত্ৰক অলপ ইতিকিঙৰ সুৰেৰে ক'লে, “ৰজাই প্ৰজাৰ মংগলৰ বাবে কাম কৰাত আপুনি দুখ পাইছেনে কি?

“ন্—নহয়, কথা তেনেকুৱা নহয়, দুখ পোৱা নাই। পিছে—ৰজাই সকলো কৰি পেলোৱাৰ কাৰণে মই ৰাইজৰ সেৱা কৰিবলৈকো সক্ষম হোৱা নাই।” শম্ভুমিত্ৰই দুখ মনেৰে ক'লে।

দ্বিতীয়জন যাত্ৰীয়ে মৃদুকৈ হাঁহি মাৰি ক'লে, “ভাই, আমাৰ ৰজাই ৰাইজৰ মংগলাৰ্থে বিশেষ কাৰ্য্যক্ৰম হাতত লৈছে। আপোনাৰ পিতৃদেৱ মহান ব্যক্তি আছিল। এতেকে—আপনি ৰাইজৰ সেৱা কৰক বা নকৰকেই, ৰাইজে আপোনাৰ শলাগ ল'বই। কিন্তু আমাৰ ৰজাৰ পিতৃদেৱ আছিল ৰাইজৰ মংগললৈ মন-কাণ নিদিয়া মানুহ। গতিকে—নতুন ৰজাই তেওঁৰ পিতৃৰ দুৰ্যশ গুচাবলৈ সৰ্ববিধৰ চেষ্টা-প্ৰচেষ্টা চলাব নালাগিব জানো?”

এই ঘটনাৰ কিছুদিনৰ পাছত শম্ভুমিত্ৰই যেতিয়া দুখীয়াহঁতক অন্নদান

কৰাৰ কথা ক'লে, তেতিয়া হঠাৎ ৰজায়ো অন্নদান কৰাৰ কথা ঘোষণা কৰিলে।

তাৰ পাছত শম্ভুমিত্ৰই দেউতাকৰ নামত ধৰমশালা স্থাপন তথা নিৰ্মাণৰ কথা ঘোষণা কৰাত শম্ভুমিত্ৰৰ বন্ধু-বান্ধৱহঁতে তেওঁক এই কাম এই বুলি হাতত ল'বলৈ মানা কৰিলে যে—ইমান ডাঙৰ কাম এটা কৰি উলিয়াবৰ জোখাৰে ধন তেওঁ গোটাব নোৱাৰিব।

কিন্তু তথাপি যেতিয়া পাছদিনা শম্ভুমিত্ৰই এই কামত ধৰিলে, তেতিয়াই ৰজাৰ ফালৰপৰা মানুহ আহিল, আৰু অমৰপুৰীত এটা বিৰাট যাত্ৰীনিবাস নিৰ্মাণৰ কথা দহোখন গাঁৱৰ ৰাইজৰ আগত ৰজাৰ নামত ঘোষণা কৰিলে।

"মই মোৰ দেউতাৰ নাম যুগমীয়া কৰিবৰ মনেৰে ধৰমশালা নিৰ্মাণ কৰিব খুজিছিলোঁ, কিন্তু মহাৰাজে মোৰ এই সৎকাৰ্য্যতো বাধা দিলে!" শম্ভুমিত্ৰই গাঁৱৰ প্ৰমুখসকলৰ আগত খেদ প্ৰকাশ কৰিলে।

যি কি নহওক, কিছুদিনৰ অন্তত শম্ভুৱে আন এটা উপায় উলিয়ালে: অমৰপুৰীত এখন পুথি-ভঁৰাল পাতিব। কিন্তু পুথি-ভঁৰালৰ কথাতো ৰজাই পাছ লাগিল। ৰজাই হেনো এমাহৰ ভিতৰতে অমৰপুৰীত বিৰাট পুথি-ভঁৰাল সাজি দিব।

তাৰ পাছতো শম্ভুমিত্ৰই বিভিন্ন সমাজসেৱাৰ কাম হাতত লৈছিল, কিন্তু



সেই সকলো কামেই বজাৰ মানুহে ততাতৈয়াকৈ কৰি পেলাইছিল।

এইবোৰ কথাত তিতা-কেঁহা লাগি শম্ভুমিত্ৰই আৰু কোনোবিধৰ আঁচনি নকৰা হ'ল। কিন্তু—এদিন শম্ভুমিত্ৰক স্বয়ং মহাৰাজে ৰাজধানীলৈ মাতি পঠালে।

শম্ভুমিত্ৰ ৰাজধানীলৈ গ'ল, ৰজাৰ কাষ চাপিল। তেতিয়া ৰজাৰ কাষত মহামন্ত্ৰীও থিয় হৈ আছিল।

মহামন্ত্ৰীয়ে মৃদুকৈ হাঁহি মাৰি শম্ভুমিত্ৰক ক'লে, "শম্ভুমিত্ৰ, এই কথা শুনি তুমি চকু কপালত নুতুলিবা যে—তোমাৰ ঘৰত অতিথ্য গ্ৰহণকাৰী সেই তীৰ্থযাত্ৰী দুজন আছিলোঁ মই, আৰু স্বয়ং মহাৰাজ। তোমাৰ মনত—মহলৈ নমৰি যহলৈ মৰাৰ—এক প্ৰবল ইচ্ছা আমি লক্ষ্য কৰিছিলোঁ। তুমি যে কেৱল 'বাপ চাই বেটা' হ'বৰ কাৰণেহে সমাজসেৱাৰ নামত থিয় জঁাপ মাৰিছা, প্ৰকৃত সমাজসেৱাৰ বাবে নহয়—তাকো আমি লক্ষ্য নকৰাকৈ নাছিলোঁ। তোমাৰ যহহে আগ-কথা, জনকল্যাণ পাছ। তাৰ কৰণেহে—মহাৰাজে তোমাৰ সকলো কামতে হাত ফুৰাবলৈ বাধ্য হৈছে। এতিয়া কোৱা—আমাৰ মহাৰাজৰ কাম-কাজ তুমি কেনে পাইছা।"

শম্ভুমিত্ৰই বিনম্ৰতাৰে ক'লে, "মহাৰাজ, মোক ক্ষমা কৰক। মই তেতিয়াই বুজি পাইছিলোঁ যে—এই তীৰ্থযাত্ৰী দুগৰাকী মহাৰাজ-মহামন্ত্ৰীৰ বাহিৰে আন কোনো নহয়। কিয়নো—সাধাৰণ আলহীয়ে নিশ্চয় মোৰ কথা লৈ আলোচনা নকৰিলেহেঁতেন। তদুপৰি — মোৰ কাম মহাৰাজে কৰিছে বুলি ভবাৰ দৰে মূৰুখো কোনো নোলাব।"

এই কথা শুনি মহামন্ত্ৰী ধৰ্মকীৰ্তিয়ে জলজলাই উঠি ক'লে, "হঁা—! তেনেহ'লে—এতিয়াৰপৰা তুমি দেখিছোঁ ৰজাৰ লগত ফেৰ মৰাৰ স্পৰ্ধা দেখুৱাইছা! তোমাৰ এই মনোভাব অতি গৰিহিত।"

শম্ভুমিত্ৰই পুনৰ নম্ৰভাৱে ক'লে, "মোক আপোনালোকে ক্ষমা কৰক। কথা হ'ল যে—যহতকৈ জনসাধাৰণৰ সেৱাহে মুখ্য হ'ব লাগে। আৰু সেইদেখিহে ময়ো এক প্ৰণালীবদ্ধভাৱে কাম আৰম্ভ কৰিছিলোঁ। বাস্তৱপক্ষে—স্বয়ং মহাৰাজে এইবোৰ কাম কৰিবই বুলি নভবাহেঁতেন, মই কদাপি সেইবোৰ প্ৰকৃততে 'ময়েই কৰিম' বুলি ৰাইজৰ আগত আগতীয়াকৈ প্ৰচাৰ নকৰিলোহেঁতেন। মোৰ নিচিনা সাধাৰণ ধন-বিত নথকা এজনে কেনেকৈনো ধৰমশালা, বা পুথি-ভঁৰাল সাজি-নিৰ্মাই উলিয়াব? এতিয়া—মহাৰাজৰ কৃপাত—মোৰ অৱস্থা এনেকুৱা হৈছেগৈ যে—গাঁৱৰ ৰাইজক নতুনকৈ কিবা লাগিলেই মোৰ কাষ চাপি কয়হি: "হেৰাহে শম্ভুমিতিৰ, কামটো কৰি দিয়াচোন, এতিয়া দেখিছোঁ তুমি ছাইমুঠি ধৰিলে সোণমুঠি হয়।"

এই কথা শুনি মহাৰাজে উত্তেজিত কণ্ঠেৰে কৈ উঠিল. "তাৰ মানে—আমাৰ কামকে তুমি বহুদিন ধৰি তোমাৰ নিজৰ বুলি যহাইযহ আৰ্জনত ধৰিছা!"

"নহয়, মহাৰাজ, কথা তেনেকুৱা নহয়। ৰাইজৰ মনত মাত্ৰ এই বিশ্বাসকে মই শিপোৱাব পাৰিছোঁ যে মই কৰিম বুলি ক'লে মহাৰাজে কামখিনি কৰি দিয়ে। মাত্ৰ ইমানকণ যশস্যাহে আৰ্জিব পাৰিলোঁ।" শম্ভুৱে মহাৰাজক ক'লে।

মহাৰাজে কৈ উঠিল, "বচনত আছে—পৰৰ ওপৰত পাই ধন বাপে-পোৱে কীৰ্তন। তুমি দেখিছোঁ পৰৰ ওপৰত পচলা কুটাত অপৰিসীম দক্ষতা আৰ্জিছা। ঠিক আছে. একো নকৰাকৈ গাহৰি-জীৱন গু-জীৱন কটোৱাতকৈ পৰৰ ওপৰত পচলা কুটাও বেয়া নহয়। তাৰেও সমাজৰ কিছু উপকাৰ হয়। তাৰ কাৰণে মই তোমাৰ শলাগ লৈছোঁ। যি কৰি আছা তাকে কৰি থাকাগৈ।"

আচল বল

জহৰী বীৰভদ্ৰই চহৰৰ কাম-বনখিনি সামৰি ৰাতিৰ পৰতে নিজৰ গাঁৱলৈ বুলি গৰুগাড়ীত উঠি ৰাওনা হ'ল। যেতিয়া চহৰৰ সীমা পাৰ হওঁ হওঁ হ'ল, তেতিয়া দীঘলদাঢ়ীয়া মানুহ এজনে হাত দাঙি গাড়ীখন ৰখালে আৰু ক'লে, "ডাঙৰীয়া, মই বহুতো পৰলৈকে ইয়াত ৰৈ আছোঁ, কোনো গাড়ী-চাড়ী পোৱা নাই। আমাৰ ফালৰ যোৱাৰ। মই গাজীপুৰলৈ যাম। মোক ডাঙৰীয়া—আপোনাৰ গাড়ীত দয়া কৰি উঠাই ল'বনে?"

বীৰভদ্ৰই একো ক'বলৈ নৌপাওঁতেই গাড়ীৰ গাৰোৱানে দাঢ়ীয়াৰ কথাত আপত্তি দৰ্শালে। কিন্তু বীৰভদ্ৰই ক'লে, "হেৰা, আমিও দেখোন গাজীপুৰ হৈয়েইহে যাম। এওঁক বাৰু উঠাই লোৱাচোন।"

দীঘলদাঢ়ীয়া গাড়ীত উঠিল, বীৰভদ্ৰৰ কাষতে বহিল। খন্তেকৰ অন্তত দাঢ়ীয়া মানুহজনে বীৰভদ্ৰক ক'লে, "আপুনি মোক বৰ সহায় কৰিলে।" আকৌ এখন্তেক ৰৈ পুনৰ কৈ উঠিল, "মোৰ দীঘল দাঢ়ি আৰু লেতেৰা কপোৰ-কানিলৈ চাই আপুনি অন্য ৰকমৰ কিবা কথা নাভাবিব। মোৰ নাম ৰমেশ। মই বহু কষ্টেৰে হিমালয়লৈ গৈছিলোঁ আৰু এতিয়া মই তাৰেপৰাই উভতি আহিলোঁ।"

"হিমালয়ৰপৰা! বীৰভদ্ৰই শংকা-মিশ্ৰিত কৌতূহলী দৃষ্টিৰে চালে।

দীঘলদাঢ়ীয়া ৰমেশে তেওঁৰ চোলাৰ জেপৰপৰা তামৰ কিবা এটা উলিয়ালে আৰু ক'লে, "চাওকচোন আৰু—দয়া কৰি কওকচোন বাৰু এইটো কি—?"

হৰিনাথ বৰ্মন

বীৰভদ্ৰই তামৰ এই বস্তুটো হাতত লৈ ঘূৰাই-পকাই চালে আৰু ক'লে, "এই তামৰ বস্তুটোৰ গাত কিবাকিবি লিখা আছে যেন পাইছোঁ।"

ৰমেশে বস্তুটোক পুনৰ তেওঁৰ জেপত ভৰাই থৈ ক'লে, "তামৰ এই বস্তুটো সাধাৰণ বস্তু এটা নহয়। মোৰ দুৰাৱস্থা দেখি হিমালয়ৰ তপস্বী এগৰাকীয়ে এই তাম্ৰপত্ৰখন মোক দিলে। তেওঁ কৈ দিলে মোক—এই বস্তুটো দেৱতাৰ মন্দিৰত থৈ দিলেই সকলো আলৈ-আহুকাল গুচিব।"

তাৰ পাছত, এসময়ত দুয়ো টোপনিত লাল-কাল দিলে।

"হেৰি, হেৰি— হেৰি উঠক হেৰি— উঠক, গাজীপুৰ আহি পালোঁহিয়েই।" বীৰভদ্ৰই সাৰ পাই উঠি ক'লে, "হেই ৰমেশ, উঠা—উঠা।"

কিন্তু ইমান সময় ধৰি মাতিলতো, গাত ধৰি ঠেলি-হেঁচুকি দিলতো ৰমেশ টোপনিৰপৰা নুঠা হ'ল।

তেতিয়া বীৰভদ্ৰৰ মনত কিবা এটা চোভা হ'ল। বীৰভদ্ৰই এইবাৰ ৰমেশৰ গাত ভালকৈ হাত দি চালে। ৰমেশৰ গা দেখোন দৰঙৰ শিল যেন চেঁচা!

তাৰ পাছত, সেই গাৰোৱানৰ সহায়ত গাজীপুৰত ৰমেশৰ ঘৰ বিচাৰি উলিউৱা হ'ল বীৰভদ্ৰই, আৰু ৰমেশৰ পৰিবাৰক সকলো কথা বিবৰি ক'লে।

গাঁও পাই সেই গাড়ীখনৰপৰা নামি আহোঁতেহে বীৰভদ্ৰৰ চকু পৰিল সেই তামৰ বস্তু:টোৰ ওপৰত। কেনেবাকৈ নিশ্চয় ৰমেশৰ জেপৰপৰা পৰি গৈছিল। কেতিয়াবা আকৌ গাজীপুৰৰ ফালে গ'লে ৰমেশৰ পৰিবাৰক দি থৈ আহিব।

বীৰভদ্ৰই তামৰ বস্তুটোক ৰমেশে কোৱা মতে—দেৱ-মন্দিৰত থৈ আহিলগৈ।

আৰু সেইদিনাই ৰাতিৰ পৰতে বীৰভদ্ৰই তাৰ সৰুকালৰ বন্ধু কোদণ্ড-পানীয়ে তাক সপোনত কোৱা শুনিলে,

“হাৰে বীৰভদ্ৰ! তোমাৰ ল'ৰাটোৰ লগত তোমাৰ কাজিয়া-কন্দল লাগিলনে?”

“কাজিয়া? কন্দল—? নহয় তো! কিন্তু কোৱাচোন—তুমি এনেকৈ ভাবিলা কিয়?” বীৰভদ্ৰই সুধিলে।

“কিয়নো—” কোদণ্ডপানীয়ে ক'লে. “তোমাৰ ল'ৰাটোৱে গাঁৱৰ সকলোকে এটা চাকৰিৰ বাবে খাটিছেগৈ।”

কোদণ্ডপানী গুচি যোৱাৰ পাছত বীৰভদ্ৰৰ ল'ৰাটো আহিল। তেতিয়া বীৰভদ্ৰই গৰ্জি উঠি সুধিলে তাক, “হেৰ, —তইনো গাঁৱৰ ঘৰে ঘৰে গৈ লোকৰ ওপৰত চাকৰি বিচাৰি ফুৰাত ধৰিছনে?”

“হয়। মোক চাকৰি এটা লাগেই।” ল'ৰাটোৱে গম্ভীৰ হৈ ক'লে।

“তোৰনো কি অথন্তৰ হ'ল ইয়াত? কিহলৈনো চাকৰি? আমাৰ লাখটকীয়া কাৰবাৰ এৰি চাকৰিত ধৰি তইনো কি ৰজা হ'বি অ'ই আহাৰছেদ হোৱাটো? তোৰ লাজ লগা নাইনে?” দেউতাকে দোপ দিলে।

“মই কি কৰোঁ-নকৰোঁ ধৰোঁ-নধৰোঁ তাতনো কাৰ কি আহিল-গ'ল? চাকৰি মোক লাগে — চাকৰি।” এই বুলি কৈয়েই সি হুপহুপাই গুচি গ'ল।

আৰু পাছদিনা ৰাতিৰ পৰতেও তেওঁ পুনৰ দুঃস্বপ্ন দেখি থাকিল। বীৰভদ্ৰই সপোনত দেখাপালে যে — তেওঁৰ পৰিবাৰ একেবাৰে ধুমুৰীজনী হৈ পৰিছে, বৈদ্যই চাই-চিঁতি এই ব্যৱস্থাপত্ৰ দিছে যে তাই দিনে-ৰাতিয়ে মিলাই এসাজ খায় যেন। ৰাতি কেৱল অলপমান গাখীৰ, বছ। আৰু লগতে এসোপা দৰব।

তাৰ পাছত বীৰভদ্ৰই দেখিলে যে তেওঁৰ ধুমুৰী পৰিবাৰে প্ৰকাণ্ড ৰূপৰ কাঁহীত এসেৰমান চাউলৰ ভাত আৰু জোখে-জোখাৰে শাক-পাচলিৰ সৰুসুৰা পাহাৰ এটি লৈ খাই আছে। এই কাণ্ড চাই বীৰভদ্ৰই দমদমাই উঠি ঘৈণীয়েকক

কৈ উঠিল, "এয়ানো কেনে কথা হ'ল? কবিৰাজে তোমাক কম খাবলৈ ক'লে আৰু তুমি দেখোন যম-খাৱনে খাই আছা!"

বীৰভদ্ৰৰ পৰিবাৰে অলপো বিচলিত নহৈ ক'লে, "দিনটোত মাত্ৰ এসাজ অলপকৈ খাই কোনোবা জীয়াই থাকিব পাৰেনে? সি বেটা কবিৰাজ নহয়, সি যমৰাজহে।"

তৃতীয়নিশা বীৰভদ্ৰই পুনৰ সপোনত তেওঁৰ ছোৱালী কমলীয়ে কোৱা শুনিলে, "দেউতা, মই নৰোত্তমক বিয়া কৰাম। যিমান সোনকালে হয়, সিমানেই ভাল।"

শুনি বীৰভদ্ৰৰ মূৰত যেনিবা চৰগহে পৰিল। কয় কি! বীৰভদ্ৰই ছোৱালীক ক'লে, "কি ক'লা? নৰোত্তমক বিয়া —কৰাবা? তুমি বলিয়া হ'লানে কি? নৰোত্তমক যে মৰণ-বেমাৰে ধৰিছে—গাঁৱৰ সৱেই জানে। তুমি নাজানানে কি?"

"জানো, ময়ো জানো। তথাপি, বিয়া কৰোঁ যদি সি, ন'হলে কপালত আছে যি ...তাকে কৰিম, চিপজৰীত ধৰিম।" এই বুলি কৈ কমলীও গুচিল, সপোনো টুটিল।

বীৰভদ্ৰই তেওঁৰ বিছনাৰ ওপৰত বহি ভাবিলে: আমাৰ ঘৰত নিশ্চয় কোনোবা ভুত-পিশাচ সোমাল। গুৰুজীৰ আশ্ৰমলৈ এতিয়াই যাব লাগিব।

বেলি ওলোৱাৰ লগে লগে বীৰভদ্ৰও গুৰুজীৰ আশ্ৰমলৈ বুলি ওলাল। ওলায়েই



মন্দিৰত থৈ দিয়া সেই তামৰ বস্তুটোৰ কথা মনত পৰিল। গুৰুজীৰ আশ্ৰমলৈ যাওঁতে গাজীপুৰ পাৰ হৈহে যাব লাগিব। গতিকে—এইবাৰ তামৰ বস্তুটো ৰমেশৰ পৰিবাৰক দি থৈ যাব।

গাজীপুৰ পাই বীৰভদ্ৰ ৰমেশৰ ঘৰলৈ গ'ল আৰু ৰমেশৰ সেই তামৰবস্তুটো ৰমেশৰ পৰিবাৰক দিলে আৰু লগতে তামৰ বস্তুটোৰ গুণো বখানিলে। ৰমেশৰ পৰিবাৰে ৰমেশ অৰ্থাৎ গিৰিয়েক কিয় যে তেনেকৈ ঘৰ এৰি ওলাই গৈছিল, সেইকথা আজি বীৰভদ্ৰক ভাঙি-পাতি কোৱাৰ অন্তত মন্তব্য কৰিলে, "আমাৰ ল'ৰাটোও পঁচিছ বছৰীয়া হ'ল। সি কোনো কাম-বন নাপাই লোকৰ দুৱাৰে দুৱাৰে চাকৰি বিচাৰি ঘূৰি আছে। আৰু আমাৰ ছোৱালীজনীক লৈ যে কিখিনি বিপাঙত নপৰিছোঁ! নগদ টকাৰ বৰপণ বিনে কোনেও বিয়া নকৰায়, ইপিনে-আমাৰনো আছে কি? আমাৰ একো নাই। পিছে—সেই যে আমাৰ বিপৰীত ফালে ঘৰটো যে দেখিছে, সেই ঘৰৰ ডেকা ল'ৰাটোৱে তাইক বিনা পণে বিয়া কৰাব খুজিছে; কিন্তু তাইহে তাক বিয়া নকৰাব।"

শুনি বীৰভদ্ৰই তেতিয়াহে দুঃস্বপ্নৰ ৰহস্য কিঞ্চিত বুজি পোৱা হ'ল।

বীৰভদ্ৰই ৰমেশৰ পৰিবাৰক ক'লে, "বাইদেউ. আপুনি চিন্তা নকৰিব। এই তামৰ বস্তুটোৰ মহিমাৰে আপোনাৰ সকলো সমস্যাৰ সমাধান হৈ যাব।" এই বুলি কৈ, সেই তামৰ বস্তুটো ৰমেশৰ পৰিবাৰৰ হাতত গটাই দি বীৰভদ্ৰই গুৰুজীৰ আশ্ৰমলৈ বুলি খোজ ল'লে।

বীৰভদ্ৰই ভাবিলে: তামৰ বস্তুটোৱে একো কৰিব পাৰক-নোৱাৰক, তামৰ বস্তুটোৰ মহিমাৰ কথা ভাবি মনত যি বল-শক্তি পাব তাৰ মূল্য তামৰ বস্তুৰ অলৌকিক মহিমাতকৈও অধিক। আচল বল মনৰ বল।



বিহ-ভেকোলা

দক্ষিণ আমেৰিকাৰ কোকোই নামৰ ভেকোলাই মুখেৰে যি উগ্ৰ বিহ উলিয়াই ছটিয়ায়, সেই বিহৰ ১০০,০০০ ভাগৰ ১ ভাগেই এজন মানুহক মাৰি পেলাব পাৰে!

জন-বিশ্বাস মতে, অস্ট্ৰেলিয়াৰ উত্তৰাগত থকা আইয়াৰ্চ শিলচটায়েই হ'ল পৃথিৱীৰ আটাইতকৈ বৃহৎ গোটা শিল। কিন্তু সেই জন-বিশ্বাস সঠিক নহয়। পশ্চিম অস্ট্ৰেলিয়াৰ ১২৩৭ ফিট [৩৭৭ মিটাৰ] ওখ অগাস্টছ পাহাৰত দীঘল ৫ মাইল [৮ কিল'মিটাৰ] আৰু বহলে ২ মাইল [৩ কি'লমিটাৰ] গোটা শিলচটা সেই আইয়াৰ্চ -শিলচটাতকৈ দুগুণ ডাঙৰ।

এচটা শিলৰ কাহিনী

দান্ত-কথা

আফ্ৰিকাৰ মতা হাতীৰ সোঁ-দাঁতটোতকৈ বাঁও-দাঁতটো সদায় চুটি। কিয়নো বাঁও-দাঁতেৰে এইবোৰ হাতীয়ে মাটি খন্দা আদি কাম কৰে আৰু তাৰ ফলত সেই দাঁত সদায় ক্ষয় হয়।

অষ্টম শতিকাৰ ইলোৰাৰ শিৱ মন্দিৰ—নেন্সীৰ মনত কবিতা জাগিল।
“নিশব্দতা এমন কৰে সময়ৰ মাজেদি...!” এই কবিতা ফাঁকি তোমাৰ কেনে লাগিল?
নিৰ্ভীক চাৰিমিত্ৰ — দলপতি ইউচুফ, জ্ঞানী গুৰুস্বামী, অনুসন্ধিৎসু নেন্সী, আৰু বীৰ পৰম। ভাৰতৰ অপাৰ সৌন্দৰ্য্যত মুগ্ধ এওঁ লোকে বিপদলৈ কেৰেপ নকৰে আৰু বেয়া কামৰ প্ৰতিবাদ কৰে।
“..........”
মই এটা প্ৰশ্ন কৰিছিলোঁ, গুৰু। কবিতা ফাঁকি শুনাত কেনে লাগিল?
মোৰ উত্তৰ হল “নিৰৱতা”, কিয়নো নিশব্দতা নুবুলি, ই কোনো শব্দ নকৰে!
ইইঁৱালা সেই পৰম। হা:.....হা:!
শিলত কটা এই অপূৰ্ব হাতীটো চোৱা।
তেওঁলোকে ভাৰতৰ সবাতোকৈ ডাঙৰ শিল কাটি নিৰ্মাণ কৰা মন্দিৰটো চাওঁতে....।
এটা ডাঙৰ কৰ্ম'বা। চাৰিওফালে আছে কোঠাবোৰ য'ত ভিক্ষুসকলে বাস কৰিছিল আৰু প্ৰাৰ্থনা কৰিছিল.....মন্দিৰটো এটা ডাঙৰ শিলাখণ্ডৰ পৰা কাটি উলিওৱা হৈছিল..... চাৰি লাখ টন শিল আঁতৰোৱা হৈছিল......
ভাবাচোন! কিমানবোৰ যে বনুৱা লাগিছিল.....
হা:! হা:! হা:!
“নিশব্দতা এমন কৰে......!” চুপ! ইউচুফ শুনাচোন......

আৰে! এয়া কি!
এটা পাৰ্টী! হাঃ হাঃ! যোগ দিবা নেকি?
এনেকুৱা ঠাইতো উছৃংখলি কৰিছা আৰু চিঞৰিছা!
আৰু আৱৰ্জনা বোৰ চোৱাচোন!
পিছে তোমালোকে বা অন্যই চিন্তা কৰিব লগা কিটো হ'ল?
কি কথা কৈছা তুমি? ই আমাৰ সকলোৰে চিন্তাৰ বিষয়।
আনকি তোমাৰো। তুমি নিজেই এনে ঐতিহ্য আৰু ইতিহাসক কোনমতে অপমান কৰিছা?
সৌ মানুহখিনিয়ে প্ৰাৰ্থনা কৰিছে। তেওঁলোকৰ কথা ভাবিচোৱা।
এৰা, এই সাহসী মইনাহঁতৰ লগত আমিও একমত।
যদিহে এইবোৰ বন্ধ নকৰা তেন্তে তোমালোকক আমি ইয়াৰ পৰা জোৰকৈ বাহিৰ কৰিম।
আহাঁ। মই তোমালোকক ঔৰংগাবাদলৈ লৈ যাম। মই তোমালোকৰ বিষয়ে শুনিছোঁ। তোমালোকে সাহসী কাম কৰাটো আজি দেখিলোঁ। ভাল কাম কৰিছা। বাদ নিদিবা।
ধন্যবাদ, ডাঙৰীয়া।
PRESS
আমাৰ সংকল্প
আহক ভাৰতক শুৱনিকৈ ৰাখোঁ
তোমালোকেও আমাৰ পাৰিপাৰ্শ্বিকতাক অবুজ মানুহৰ হাতত নষ্ট হোৱাৰ পৰা বচোৱা উচিত। আমি মিলি-জুলি কাম কৰিলে ভাৰতৰ অপাৰ সৌন্দৰ্য্যক চিৰ সুশোভিত কৰি তুলিব পাৰিম হঁক।

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯০ চনৰ এপ্ৰিল সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯০ চনৰ ফেব্ৰুৱাৰি মাহৰ ১৫ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI
MADRAS—600 026.

১৯৮৯ চনৰ ডিছেম্বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : চংদাৰ দ্বিতীয় ফটো : ৰংদাৰ

পুৰস্কাৰ প্ৰাপক : সান্ত্বনা মান্না, বি. পি. আৰ., কলিকতা-৪২

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চা ন্দ মা মা

ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

লোভনীয় আমক ফ্ৰুট বাৰ কৰা হ'ল
সজীৱতা অক্ষুণ্ণ থকাকৈ পেক কৰা
nutrine
Naturo
MANGO FRUIT BAR
nutrine
Naturo
MANGO FRUIT BAR
এতিয়া, আমৰ বতৰ বছৰটোত বাৰ মাহেই।
ইমান সুবিধা...ইমান সোৱাদ!
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh/NC/8830/Ass